সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩১ বছৰৰ এক অবিৰত যাত্ৰা...

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

Govt. of Assam Approved

Postal Redg. No. GH- 098/2012-17

৩১ বছৰ, ৪১ সংখ্যা, ২৫ আহিন, ৰবিবাৰ,১৪৩২ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪

RNI No.53883/94. GHY- 781025. Vol. 31: Issue No. 41 Date of Publication- 12 October 2025 Rs. 10.00/-

## ৰাজ্যত উদ্বেগজনকভাবে হিন্দুৰ জনসংখ্যা হ্ৰাস! অস্বাভাৱিক হাৰত বৃদ্ধি মুছলমানৰ জনসংখ্যা



ৰঙিলী বাৰ্ত্তাসেৱা- নিয়মিতভাৱে হৈ থকা অনুপ্ৰৱেশে অসমৰ জনগাঁথনিত সৃষ্টি কৰা পৰিৱৰ্তনে এক ভয়াৱহ ভৱিষ্যতৰ ইংগিত বহন কৰিছে। পূৰ্ববংগীয় মুছলমানৰ অনুপ্ৰৱেশ আৰু এই সম্প্ৰদায়ৰ মাজত বৃদ্ধি হোৱা জনসংখ্যাই ক্ৰমাৎ শংকা নমাই আনিছে খিলঞ্জীয়া হিন্দুৰ মাজত। উল্লেখ্য যে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে জনগাঁথনি মিছন সম্পৰ্কীয় এক উচ্চস্তৰীয় সমিতিত শেহতীয়াকৈ প্ৰকাশ কৰিছে হিন্দু জনসংখ্যাৰ বিপৰীতে মুছলমান জনসংখ্যা বৃদ্ধিৰ তথ্য। দেশত বৃদ্ধি পোৱা মুছলমান জনসংখ্যাৰ হাৰক লৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমত লিখিছে, দশক দশক ধৰি অনুপ্ৰৱেশৰ ফলত অসম জনগাঁথনিগত পৰিৱৰ্তনৰ ভুক্তভোগী হৈ আহিছে। এই ৰূঢ়

(দহ পৃষ্ঠাত চাওক)

## জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত সন্দৰ্ভত এছআইটিৰ মুৰব্বী মুন্না প্ৰসাদ গুপ্তাৰ সংবাদমেল

ৰঙিলী বাৰ্ত্তাসেৱা- জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ প্ৰকৃত তথ্য উদ্ধাৰক লৈ ৰাজ্য চৰকাৰে গঠন কৰি দিয়া বিশেষ তদন্তকাৰী গোট, চমুকৈ এছআইটিয়ে তীব্ৰগতিত তদন্ত অব্যাহত ৰখাৰ সময়তে চলি থকা তদন্তক লৈ এছআইটিৰ মুৰব্বী তথা চিআইডিৰ বিশেষ সঞ্চালকপ্ৰধান মুন্নাপ্ৰসাদ গুপ্তাই শনিবাৰে এক সংবাদমেল সম্বোধন কৰে। সংবাদমেলত জুবিন গাৰ্গৰ মৃত্যুৰ সন্দৰ্ভত মুন্নাপ্ৰসাদ গুপ্তাই কয়, তদন্ত ভালদৰে চলি আছে। শিল্পীগৰাকীৰ মৃত্যুৰ পাছতে অসম আৰক্ষীয়ে গোচৰটো লোৱাৰ লগে লগে ছিংগাপুৰৰ ঘটনাস্থলীত তদন্ত চলোৱাৰ দাবী ৰাইজে উত্থাপন কৰিছিল। সংবাদ মেলযোগে এছআইটিৰ মুৰব্বী মুন্নাপ্ৰসাদ গুপ্তাই ছিংগাপুৰলৈ যোৱা-নোযোৱাৰ সন্দৰ্ভত কয় যে এখন বিদেশী



(দহ পৃষ্ঠাত চাওক)

## ঝাৰখণ্ডত আইইডি বিস্ফোৰণত অসমৰ জোৱান নিহত



ৰঙিলী বাৰ্ত্তাসেৱা- ঝাৰখণ্ডত উগ্ৰপন্থীয়ে সংঘটিত কৰা এক আইইডি বিস্ফোৰণত অসমৰ এজন চি আৰ পি এফ জোৱান শ্বহীদ হয়। ঝাৰখণ্ডৰ চাইবাছা ৰেঞ্জ এলেকাত শুকুৰবাৰে নিশা সংঘটিত হয় আইইডি বিস্ফোৰণটো। সেই বিস্ফোৰণত নগাঁও জিলাৰ কামপুৰৰ কুঁৱৰীআটি গাঁৱৰ মহেন্দ্ৰ লস্কৰ নামৰ জোৱানজন শ্বহীদ হয়। বীৰ জোৱানজনে শুকুৰবাৰে নিশা ১১-১২জনীয়া ৬০ বেটেলিয়নৰ দল এটাৰ সৈতে টহল দি আগবাঢ়ি গৈ থাকোঁতে এই বিস্ফোৰণটো সংঘটিত হয় বুলি তেওঁৰ কামপুৰৰ বাসগৃহলৈ খবৰ আহে। এই বিস্ফোৰণত মহেন্দ্ৰ লস্কৰ থিতাতে নিহত হোৱাৰ লগতে আন জোৱানসকল আহত হয় বুলি জানিব পৰা গৈছে। দেশ মাতৃক ৰক্ষা কৰিবলৈ গৈ শ্বহীদ হোৱা মহেন্দ্ৰ লস্কৰৰ পৰিয়াললৈ

(দহ পৃষ্ঠাত চাওক)

## হিয়াৰ আমঠুৰ মহাপ্ৰয়ান



নমিতা দাস,
শুৱালকুছি

অসমীয়াৰ হাৰ্টথ্ৰব জন নাই, কথাটো ভাবিবলৈ বৰ কষ্ট হৈছে। কি লিখিম আঙুলী বুলাব মন নোহোৱা হৈছে। তেওঁক লগ পোৱাৰ চচক্ষু প্ৰত্যক্ষ কৰা সেই দিনটোৰ কথা বাৰে বাৰে মনলৈ আহিছে।

এক সোনোৱালী সময় আছিল তেতিয়া ১৯৭২ চনৰ ১৮ নৱেম্বৰ তেতিয়াই পৃথিৱীলৈ নামি আহিল ঈশ্বৰৰ অংশ এটি। প্ৰশিদ্ধ সংগীত শিল্পী, পৰিচালক গিতীকাৰ, সুৰকাৰ অভিনেতা, আৰু বহুতে হয়তো নাজানে তেওঁৰ সুন্দৰ কবিতাৰ মৌ প্ৰাণ কৰিবলৈ হয়তো বহুতে সোযোগ বা সুবিধা পোৱা নাই। এগৰাকী সু কবিও আছিল আমাৰ মহান শিল্পী জুবিন গাৰ্গ। স্পষ্টতা নিৰ্ভিকতা উদাৰতা আছিল তেওঁৰ অন্য এক অলংকাৰ। জনসাধাৰণৰ দুখত দুখী সুখত সুখী লোভ-মোহ ত্যাগি কেৱল মাত্ৰ আনক বিলাই যোৱাটোৱে তেওঁৰ ধৰ্ম, ভগৱান বিশ্বাস নকৰি জাত-পাত উচ্চ-নীচৰ ভেদা-ভেদ পৰিহৰি বিলাই গৈছিল মাথোঁ একতাৰ শ্লো-গান। সেই মহান শিল্পী গৰাকীৰ মহাপ্ৰয়ান হ'ল সুদুৰ চিঙ্গাপুৰত কথাটো মানিবলৈ অসহনীয়। সেই সময়ত কেতিয়াও নোহোৱা নোপোযা ঘটনাৰ অবতাৰণা হৈছিল প্ৰতিটো পৰিয়ালৰ এজন আপোন মানুহ যেন হেৰাই গৈছিল। শোকত ম্ৰিয়মান ৰাজ্যবাসী। কোনো বন্ধ ঘোষণা নকৰাকৈয়ে সকলো স্থবিৰ হৈ ৰৈছিল। ৰাজপথলৈ ওলাই আহিছিল বহু সমদল তেখেতৰ আলোকচিত্ৰ খনকে লৈ মায়াবিনী মাথোঁ মায়াবিনী গাই গৈছিল। প্ৰতিটো চুবুৰীত, প্ৰতিটো চাৰিআলীত, প্ৰতিটো অফিচ, প্ৰতিখন স্কুল-কলেজ, বিশ্ববিদ্যালয়, সংগঠন সকলোতে কেৱল শ্ৰদ্ধাঞ্জলী অনুষ্ঠান আৰু বায়াবিনী। জীৱকুলেও বুজি উঠিছিল সিহঁতৰ আপোনজন হেৰাই গল। লোকে লোকাৰণ্য ৰাজপথেৰে ববঝাৰ পৰা সৰুসজাই অভিমুখে যাত্ৰা, সৰুসজাইটো ৰাতি-দিনৰ পাৰ্থক্য নাৰাখি শিশুৰ পৰা বৃদ্ধ লৈ কেৱল মাত্ৰ মানুহ আৰু মানুহ। শেষকৃত্যৰ দিনাও সোনাপুৰতো গুণমুগ্ধ সকলৰ বি দি বাট বিচাৰি নোপোৱা অবস্থা কেৱল মানুহ জাতি- ধৰ্ম নিৰ্বিশেষে সকলোৱে একত্ৰিত হৈ মায়াবিনী গায় তেখেতৰ শেষকৃত্য সম্পন্ন কৰিলে।

কি আচৰিত কথা আজি পৰ্যন্ত সমাধি স্থলত তেখেতৰ গুণমুগ্ধই আৱৰি ৰাখিছে ধূপ-চাকীৰে তেখেতৰ সমাধীস্থল, পূণ্যভূমিলৈ ৰূপান্তৰিত হ'ল। যিজন মানুহে জীবিত কালত নিজৰ সুখ শান্তি ঐচৰ্য্য বিভুতিৰ কথা নাভাবি দুখীয়া নিচলাক সংগ দিছিল সেইজন মহান ব্যক্তি ঈশ্বৰে এক অংশ বুলি প্ৰমান হৈ গ'ল।

সেই মহান ব্যক্তি গৰাকীৰ মৃত্যুৱো খ্যাতি ৰাখিলে পৃথিৱীৰ ভিতৰত চতুৰ্থতম জনসমাবেশে। গুগলে হামিং কিং উপাধি দি গ'ল আমাক শিকাই গ'ল অতি বেছি সহজ সৰল শিশু সুলভ অতিকে বিশ্বাসী শিল্পী গৰাকীৰ সংগীতোৰে কৰা

(ছয় পৃষ্ঠাত চাওক)

# জিএমচিএইচৰ পাঁচজনীয়া বিশেষজ্ঞ সমিতিলৈ জুবিনৰ ভিছেৰা প্ৰতিবেদন প্ৰেৰণ



ৰঙিলী বাৰ্তাসেৱা- শনিবাৰে নতুন দিল্লীৰ কেন্দ্ৰীয় ফৰেনছিক গৱেষণাগাৰৰ পৰা আহিল শিল্পী জুবিন গাৰ্গৰ ভিছেৰা পৰীক্ষাৰ প্ৰতিবেদন। এছআইটিৰ মুৰব্বী তথা চিআইডিৰ বিশেষ আৰক্ষী সঞ্চালকপ্ৰধান মুন্নাপ্ৰসাদ গুপ্তাই সংবাদ মেলযোগে এই কথা সদৰী কৰিছে। মুন্নাপ্ৰসাদ গুপ্তাই কয় যে জিএমচিএইচত মৰণোত্তৰ পৰীক্ষা সম্পন্ন হোৱাৰ পাছতে শিল্পীগৰাকীৰ দেহৰ পৰা ভিছেৰা আঁতৰাই ৰাখি নতুন দিল্লীলৈ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰা হৈছিল। তেওঁলোকে আজি উক্ত প্ৰতিবেদন আমালৈ পঠিয়াইছে। প্ৰতিবেদনখন লাভ কৰাৰ পাছতে এছআইটিৰ তৰফৰ পৰা সেইখন গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ ৫জনীয়া বিশেষজ্ঞ সমিতিলৈ প্ৰেৰণ কৰা হৈছে। মুন্নাপ্ৰসাদ গুপ্তাই লগতে কয় যে ইতিমধ্যে জিএমচিএইচত সম্পন্ন হোৱা শিল্পীগৰাকীৰ দ্বিতীয়টো মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদনৰ সৈতে ভিছেৰা পৰীক্ষাৰ প্ৰতিবেদন একেলগ কৰি বিশেষজ্ঞ সমিতিয়ে সম্পূৰ্ণ প্ৰতিবেদনখন প্ৰস্তুত কৰিব। তাৰ পাছত অহা ১৩ অক্টোবৰত সম্পূৰ্ণ প্ৰতিবেদন জিএমচিএইচৰ তৰফৰ পৰা এছআইটিৰ হাতত জমা দিয়া হ'ব। সম্পূৰ্ণ প্ৰতিবেদনখন অহাৰ পাছতে তাৰ প্ৰতিলিপি তদন্তকাৰী বিষয়াই হাতে হাতে শিল্পীপত্নী গৰিমা শইকীয়া গাৰ্গক প্ৰদান কৰাৰ লগতে ৰেজিষ্ট্ৰাৰ্ড পোষ্টযোগেও আন এটা প্ৰতিলিপি পৰিয়ালবৰ্গক প্ৰদান কৰা হ'ব বুলি তেওঁ লগতে কয়। উল্লেখ্য যে ভিছেৰা পৰীক্ষাৰ প্ৰতিবেদনখনে শিল্পীগৰাকীৰ ৰহস্যজনক মৃত্যুৰ প্ৰকৃত সত্যক স্পষ্ট কৰিব। প্ৰকৃততে শিল্পীগৰাকীৰ মৃত্যু বিহপান কৰোৱাৰ বাবে হৈছিল নে আন কাৰণত হৈছিল সেয়া এই প্ৰতিবেদনখনত স্পষ্ট হৈ উঠিব।

# ১ নৱেম্বৰৰ পৰা কাৰ্যকাৰী হোৱাকৈ চীনৰ ওপৰত অতিৰিক্ত ১০০ শতাংশ শুল্ক আৰোপ



ৰঙিলী বাৰ্তাসেৱা- আমেৰিকা যুক্তৰাষ্ট্ৰৰ দ্বিতীয়বাৰৰ বাবে ৰাষ্ট্ৰপতি হৈ ড'নাল্ড ট্ৰাম্পে শুল্কবোমাৰে বিশ্বৰ দেশসমূহক ত্ৰাসিত কৰি ৰাখিছে। এইবাৰ হঠাতে চীনৰ ৰাষ্ট্ৰপতি ঝি জিনপিঙৰ ওপৰত ক্ষুব্ধ হৈ মাৰ্কিন ৰাষ্ট্ৰপতি ট্ৰাম্পে দেশখনৰ বিৰুদ্ধে অতিৰিক্ত ১০০ শতাংশ শুল্ক আৰোপ কৰিছে। ৰাষ্ট্ৰপতি ট্ৰাম্পে আৰোপ কৰা এই অতিৰিক্ত ১০০ শতাংশ শুল্ক অহা ১ নৱেম্বৰৰ পৰা বলবৎ হ'ব। ট্ৰাম্পৰ অতিৰিক্ত ১০০ শতাংশ শুল্ক আৰোপ কৰাৰ পাছত চীনৰ বিৰুদ্ধে আমেৰিকাৰ শুল্কৰ হাৰ হ'ব ১৪০ শতাংশ। ১ নৱেম্বৰৰ পৰা এই নতুন শুল্ক বলবৎ হ'ব বুলি ঘোষণা কৰা হৈছে যদিও তাৰিখ আগুৱাই আহিবও পাৰে। হোৱাইট হাউছে প্ৰকাশ কৰা মতে, যদি চীনে আমেৰিকাৰ ওপৰত কোনো আক্ৰমণাত্মক পদক্ষেপ কৰিব বিচাৰে তেতিয়াহ'লে অক্টোবৰৰ পৰাই এই নতুন শুল্ক বলবৎ কৰা হ'ব। বিৰল খনিজ পদাৰ্থ ৰপ্তানিৰ ওপৰত চীনে নিজৰ নিয়ন্ত্ৰণ ৰাখিবলৈ চেষ্টা কৰাৰ পৰিপ্ৰেক্ষিততে হঠাতে চীনৰ ৰাষ্ট্ৰপতি জিনপিঙৰ ওপৰত ক্ষুব্ধ হৈ ট্ৰাম্পে এই সিদ্ধান্ত গ্ৰহণ কৰে। ছ'চিয়েল মিডিয়া ট্ৰুথত ৰাষ্ট্ৰপতি ট্ৰাম্পে কয়- চীনৰ এই পদক্ষেপে সমগ্ৰ বিশ্বত প্ৰভাৱ পেলাব। সেইকাৰণে আন্তৰ্জাতিক বাণিজ্যত চীনৰ দাদাগিৰি খৰ্ব কৰিবলৈ আমেৰিকাই দীৰ্ঘকালীন পৰিকল্পনাৰ অংশ হিচাপে এই পদক্ষেপ গ্ৰহণ কৰিছে।

# চক্ৰান্ত, ন্যায়, আমিবোৰ....

দেৱাশীষ গোস্বামী,নগাঁও



হত্যাকাৰী আজি মুক্ত...
আমিবোৰ
বিভিন্ন অভিযোগত
অভিযুক্ত।
অবিৰত চেষ্টা কৰাৰ
কণ্ঠস্বৰ ৰুদ্ধ..
যদি নোৱাৰে
আমিবোৰ কাৰাৰুদ্ধ।
বিবেকে নাপাই ঢুকি
শুদ্ধা শুদ্ধ...
ক্ষমতা, পইছা আৰু
ভোগ লালসাত
মন্ত্ৰ মুগ্ধ।
সকলো যেন দানবলৈ
ৰূপান্তৰিত....
মুখাৰ তলৰ চেহেৰাবোৰৰ
ক'ত যে চল চক্ৰান্ত....
পামনে বিচাৰি আমি
কিছু উদাত্ত কণ্ঠ ?
বজাব পাৰিম একেলগে তেহে
পাঞ্চজন্য।
শুৱলৈ যে নাই সময়
অকণো এতিয়া....
হাতে হাত ধৰি
যাঁও আগুৱাই
ভাবিছো আমি সকলোৱে
ন্যায় পাম তেতিয়া।
ৰাজনীতি, কূটনীতি
আৰু যদি আছে বেলেগ কিবা নীতি
দেখিছানে ? বুজিছানে ?
নহয় ভাল কিন্তু
দেশৰ আমাৰ গতি।
থাকোতেই সময় সকলোৱে
মিলাও আঁহা হাত
পৰিব তেতিয়াহে জুবিনদাৰ
দেহাতো শাঁত।

# তেজপুৰ বিশ্ববিদ্যালয়ত উপাচাৰ্য আৰু বিত্তীয় বিষয়াৰ বিৰুদ্ধে নিৰাপত্তাৰক্ষীৰ প্ৰতিবাদ



ৰঙিলী বাৰ্তাসেৱা- তেজপুৰ বিশ্ববিদ্যালয়ৰ অভ্যন্তৰত সংঘটিত হৈ থকা বিভিন্ন অনিয়মৰ বিষয়ে সম্প্ৰতি এটাৰ পিছত আনটো অভিযোগ উত্থাপিত হৈ আহিছে। উপাচাৰ্য শম্ভুনাথ সিং আৰু তেওঁৰ সহযোগীসকলৰ বিৰুদ্ধে বিয়াগোম বিত্তীয় কেলেংকাৰীৰ অভিযোগ উত্থাপিত হোৱাৰ সময়তে এইবাৰ নিৰাপত্তাৰক্ষীসকলেও উদঙাই দিছে বিশ্ববিদ্যালয়খনত চলি থকা আন এক বিত্তীয় অনিয়ম ।২২ ছেপ্টেম্বৰৰ পৰা বিশ্ববিদ্যালয়খনৰ চৌহদ উপাচাৰ্য শম্ভুনাথ সিঙৰ অপসাৰণ আৰু দুৰ্নীতি-অনিয়মৰ দাবীত উত্তাল হৈ থকাৰ পাছতে বিশ্ববিদ্যালয়খনৰ চৌহদত আৰম্ভ হৈছে একপ্ৰকাৰ চিপাহী বিদ্ৰোহৰ দৰে পৰিস্থিতিৰ। ইফালে, বিশ্ববিদ্যালয়খনত চলি থকা প্ৰতিবাদৰ মাজতে বিশ্ববিদ্যালয়ত নিয়োজিত নিৰাপত্তাৰক্ষীসকলে প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখ্য যে তেজপুৰ বিশ্ববিদ্যালয়ত ইয়াৰ পূৰ্বে গৃহৰক্ষী বাহিনীৰ জোৱানৰ দ্বাৰাই নিৰাপত্তাৰ দিশটো তদাৰক কৰা হৈছিল। কিন্তু উপাচাৰ্য হিচাপে শম্ভুনাথ সিঙে যোগদান কৰাৰ পাছত উত্তৰ প্ৰদেশৰ জিডিএক্স ছিকিউৰিটী ছলিউছন লিমিটেড নামৰ প্ৰতিষ্ঠানটোক বিশ্ববিদ্যালয়খনৰ নিৰাপত্তাৰক্ষীৰ ঠিকা আবণ্টন দিয়া হয়। প্ৰনিধানযোগ্য যে ইয়াৰ পাছত স্থানীয় লোককে নিৰাপত্তাৰক্ষী হিচাপে মকৰল কৰিলেও মাছৰ তেলেৰে মাছ ভজাৰ দৰে ইয়াৰ বিপৰীতে বৃহৎ অংকৰ ধন আদায় কৰি আহিছে জিডিএক্স নামৰ বহিঃৰাজ্যৰ প্ৰতিষ্ঠানটোৱে। ইফালে, নিৰাপত্তাৰক্ষী নিয়োগৰ ক্ষেত্ৰত মইমতালি প্ৰদৰ্শন কৰা কোম্পানীটোৱে নিৰাপত্তাকৰ্মীসকলে পূৰ্বে লাভ কৰা সা-সুবিধাও কৰ্তন কৰাৰ অভিযোগ উঠিছে। গুৱাহাটীৰপৰা দুজনে নীৰিক্ষণ কৰা বুলি সদৰী কৰা আৰু মুঠ ২৬২গৰাকী নিৰাপত্তাৰক্ষীয়ে আজি বিশ্ববিদ্যালয়খনৰ প্ৰৱেশদ্বাৰৰ সমীপত ধৰ্ণা কাৰ্যসূচীত ৰূপায়ণ

( তিনিপৃষ্ঠাত চাওক)



ৰঙিলী বাৰ্তাসেৱা- বৰ্তমান সমাজৰ বাবে মহামাৰীৰ দৰে হৈ

# কটন বিশ্ববিদ্যালয়ৰ নিৰ্বাচনৰ ফলাফল ঘোষণা



ৰঙিলী বাৰ্তাসেৱা- কটন বিশ্ববিদ্যালয়ৰ কালি হৈ যোৱা ছাত্ৰ একতা সভাৰ নিৰ্বাচনৰ মানিক চন্দ্ৰ বৰুৱা প্ৰশাসনিক ভৱনত ফলাফল ঘোষণা কৰে। বিশ্ববিদ্যালয়ৰ মুঠ ১৬ টা পদৰ ৩৩ গৰাকী প্ৰাৰ্থীৰ ইতিমধ্যে তিনি গৰাকী প্ৰাৰ্থী ক্ৰমে জিৰণি কোঠা সম্পাদক পৱিত্ৰ বড়ো, ফুটবল আৰু হকীৰ সম্পাদক দ্বীপ কামান আৰু লঘু ক্ৰীড়া বিভাগৰ সম্পাদক পদত ধঞ্জিতা ৰামচিয়াৰি (সদৌ অসম ছাত্ৰ সন্থা)বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছে। আকৌ গণনাৰ অন্তত ১৩ গৰাকী জয়ী প্ৰাৰ্থী ক্ৰমে সভাপতি পদত দ্বীপশেখৰ কলিতা (অসম ছাত্ৰ পৰিষদ সমৰ্থিত), উপ সভাপতি তুজা ব্ৰহ্ম (ছাত্ৰ মুক্তি/ বি এল এছ), সাধাৰণ সম্পাদক পদত কীৰ্তিময় কাশ্যপ (সদৌ অসম ছাত্ৰ সন্থা সমৰ্থিত), সহকাৰী সম্পাদক ময়ুৰী বৰুৱা, (সদৌ অসম ছাত্ৰ সন্থা), সম্পাদক কটনিয়ান পদৰ বাবে এঞ্জেলিনা দাস (ছাত্ৰ পৰিষদ), গাৰ্ল কমন ৰুম সম্পাদক সাধনা শ্ৰেষ্ঠ (সদৌ অসম ছাত্ৰ সন্থা), তৰ্ক সম্পাদক দ্বিপম সাহা (সদৌ অসম ছাত্ৰ সন্থা), সমাজ সেৱা বিভাগ সম্পাদক (সদৌ অসম ছাত্ৰ সন্থা), সংগীত বিভাগ সম্পাদক জ্ঞানদ্বীপ তামুলী (ছাত্ৰ পৰিষদ), সাংস্কৃতিক সম্পাদক ভায়োলিন বড়ো (ছাত্ৰ মুক্তি/বি এল এছ), এথলেটিক্স শাখা সম্পাদক নিবিৰ মহন্ত বৰুৱা (সদৌ অসম ছাত্ৰ সন্থা), ক্ৰিকেট শাখা সম্পাদক বিশাল বৈশ্য (ছাত্ৰ পৰিষদ), টেনিছ শাখা সম্পাদক মৃণ্ময় বড়ো (ছাত্ৰ পৰিষদ) আৰু কৰ্ট মেম্বাৰ স্বপ্নব ভৰালী (সদৌ অসম ছাত্ৰ সন্থা)। বিশ্ববিদ্যালয়ৰ মুঠ ভোটাৰ আছিল ৫৫২৯ গৰাকী। ইয়াৰে ২৫২৫ গৰাকী ছাত্ৰ ছাত্ৰীয়ে ভোট প্ৰদান কৰে। কোনো অৰাজকতা নোহোৱাকৈ সুকলমে গণনা আৰু জয়ী প্ৰাৰ্থীৰ নাম ঘোষণা কৰে।


# তেজপুৰ বিশ্ববিদ্যালয়ত

কৰে। তেওঁলোকে কয় যে তেওঁলোকক নিযুক্তি দিয়াৰ সময়ত নিয়োগ-পত্ৰত তেওঁলোকৰ দৰমহাৰ বিষয়ে কোনো কথাই উল্লেখ কৰা নাই। আনহাতে, ২২ দিন চাকৰি কৰি মাহত ১৫ হাজাৰ টকা আদায় দিয়াৰ উপৰি এবছৰৰ অধিককাল তেওঁলোকৰ পোছাক যোগান ধৰা নাই জিডিএক্সে। একেদৰে এটা টৰ্চ লাইটৰো যোগান নধৰা জিডিএক্স কৰ্তৃপক্ষক আপত্তি দৰ্শালেই গাৰ্ডসকলক বদলি কৰা বা কামৰ পৰা অপসাৰণ কৰাৰ ভাবুকি প্ৰদান কৰে। উল্লেখ্য যে একোজন নিৰাপত্তাৰক্ষী নিয়োগ কৰাৰ নামত তেওঁলোকৰ পৰা ১৫ হাজাৰ টকা আদায় লোৱাৰ বিপৰীতে নতুনকৈ নিয়োগ কৰাসকলৰ পৰা ২৫ হাজাৰ টকা পৰ্যন্ত আদায় কৰা হৈছে। অভিযোগ অনুসৰি, নিৰাপত্তাৰক্ষী নিয়োগৰ নামত তেজপুৰ বিশ্ববিদ্যালয়ৰ পৰা যি পাণৰ ধন জিডিএক্স প্ৰতিষ্ঠানে আদায় কৰে, সেই অনুসৰি তেওঁলোকে গাৰ্ডসকলক দৰমহা আদায় নিদি কামৰ তুলনাত বহু কম পৰিমাণৰ ধন আদায় দি আহিছে। পে শ্লিপ নিদিয়াকৈ এইদৰে দৰমহা আদায় দিয়া জিডিএক্সে মন গ'লেই কৰ্মৰত গাৰ্ডক কামৰ পৰা আঁতৰাই ধনৰ বিনিময়ত আন লোকক কৰ্মত নিয়োগ কৰে। ন্যায় বিচাৰি প্ৰতিবাদ সাব্যস্ত কৰা ছিকিউৰিটী গাৰ্ডসকলে শীঘ্ৰে তেওঁলোকৰ ক্ষেত্ৰত অব্যাহত অন্যায় তথা অনিয়ম দূৰ কৰাৰ দাবী উত্থাপন কৰিছে।

# মাজুলী মহাবিদ্যালয়ত ড্ৰাগছ সম্পৰ্কীয় সজাগতা সভা সম্পন্ন

পৰা ড্ৰাগছ আসক্তিৰ বিষয়ে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত জাগৰণ অনাৰ উদ্দেশ্যে অসম আৰ্থ-সামাজিক আৰু স্বাস্থ্য উন্নয়ন সমিতিৰ দ্বাৰা পৰিচালিত অসম আৰু মেঘালয়ৰ ৰাজ্যিক সমন্বয় সংস্থাৰ উদ্যোগত তথা মাজুলী মহাবিদ্যালয়ৰ সহযোগত মহাবিদ্যালয়খনত এক বিশেষ সজাগতা কাৰ্যসূচীৰ আয়োজন কৰা হয়। মহা-বিদ্যালয়ৰ 'পদ্মকান্তদেৱ গোস্বামী সভাকক্ষ'ত আয়োজিত অনুষ্ঠানটি আনুষ্ঠানিকভাৱে উদ্বোধন কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ দেৱজিৎ শইকীয়াই 'ড্ৰাগছক আমাৰ সমাজত অজামিলস্বৰূপ পিতৃবধী' বৰবিহ বুলি অভিহিত কৰি প্ৰত্যক্ষ বা পৰোক্ষভাৱে ড্ৰাগছ আসক্তসকলে নিজৰ পৰিয়ালৰ লগতে সমাজক কিদৰে ক্ষতি কৰিছে তাৰ এক বাখ্যা আগবঢ়ায়। লগতে নিচাজাতীয় দ্ৰব্যৰ পৰা ছাত্ৰ-ছাত্ৰীসকলক আঁতৰাই ৰাখিবলৈ মহাবিদ্যালয় খনে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ বিষয়েও তেওঁ সকলোকে অৱগত কৰে। কাৰ্যসূচীত সমল ব্যক্তি হিচাপে উপস্থিত থাকি মাজুলী জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক ৰাজশ্ৰী ধনদিয়াই নিজৰ সাৱলীল বক্তৃতাৰে ছাত্ৰ-ছাত্ৰী সকলক আপ্লুত কৰে। অসমীয়া নাট 'কানীয়া-কীৰ্ত্তন'ৰ প্ৰসংগ উল্লেখ কৰি আহোম ৰাজত্বকালত কানিৰ দৰে বৰবিহে অসমীয়া সমাজক যিদৰে ক্ষতিগ্ৰস্ত কৰিছিল সেইদৰেই বৰ্তমান ড্ৰাগছৰ (দহ পৃষ্ঠাত চাওক)

# ঘোষণা হ'ল এডিআৰইৰ তৃতীয়বৰ্গৰ পদৰ ফলাফল




ৰঙিলী বাৰ্তাসেৱা- ঘোষণা হ'ল এডিআইৰ তৃতীয়বৰ্গ আৰু অসম আৰক্ষীৰ উপ-পৰিদৰ্শক পদৰ পৰীক্ষাৰ ফলাফল। ঘোষণা কৰা অনুসৰি ৰাজ্যৰ মুঠ ৮, ২৭৫ চাকৰিপ্ৰত্যাশীয়ে হাঁহি বিৰিঙাবলৈ সক্ষম হ'ল। তৃতীয়বৰ্গৰ পদৰ নিযুক্তি আয়োগৰ অধ্যক্ষ অজয় তিৱাৰীয়ে খানাপাৰাৰ প্ৰশাসনিক পদাধিকাৰী মহাবিদ্যালয়ত আনুষ্ঠানিকভাৱে এই পৰীক্ষাৰ ফলাফল ঘোষণা কৰে। ঘোষণা কৰা ফলাফল অনুসৰি তৃতীয়বৰ্গৰ বাবে ৭৬৫গৰাকী প্ৰাৰ্থী আৰু আৰক্ষী উপ-পৰিদৰ্শকৰ বাবে ৬২৫ গৰাকী প্ৰাৰ্থী বাছনিত উঠিবলৈ সক্ষম হৈছে। উল্লেখ্য যে বিগত বৰ্ষৰ ছেপ্টেম্বৰ-অক্টোবৰ মাহত অনুষ্ঠিত এডিআৰই পৰীক্ষাত ৰাজ্যৰ ২৮খন জিলাৰ ২৩, ৮৫, ৪২১ গৰাকী প্ৰাৰ্থীয়ে আবেদন কৰিছিল। ইয়াৰে ১৭, ৩১, ৬১৬গৰাকী প্ৰাৰ্থীয়ে লিখিত পৰীক্ষাত অৱতীৰ্ণ হয়। আনহাতে স্কীল টেষ্টৰ বাবে বাছনি লাভ কৰে ১৬, ২৯৫ গৰাকী প্ৰাৰ্থীয়ে। ইয়াৰে ১৩, ৮৭৭ গৰাকী প্ৰাৰ্থীয়ে লাভ কৰে চূড়ান্ত বাছনি। লিখিত আৰু স্কীল টেষ্টৰ নম্বৰৰ ভিত্তিত উত্তীৰ্ণ হয় ৭, ৬৫০ গৰাকী প্ৰাৰ্থী। নিযুক্তি ব'ৰ্ডৰ অধ্যক্ষ তথা অতিৰিক্ত মুখ্য সচিব অজয় তিৱাৰীয়ে ফলাফল ঘোষণা কৰি জানিবলৈ দিয়ে যে উত্তীৰ্ণ হোৱা ৭, ৬৫০ গৰাকী প্ৰাৰ্থীক ৰাজ্যৰ ৫০টা বিভাগত সুকীয়া সুকীয়াকৈ প্ৰদান কৰা হ'ব নিযুক্তি। অতিৰিক্ত মুখ্য সচিব (দহ পৃষ্ঠাত চাওক)

# জুবিন গাৰ্গৰ ব্যক্তিগত দেহৰক্ষী নন্দেশ্বৰ বৰা আৰু পৰেশ বৈশ্যক গ্ৰেপ্তাৰ






ৰঙিলী বাৰ্তাসেৱা- শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুক লৈ ৰাজ্য চৰকাৰে গঠন কৰি দিয়া বিশেষ তদন্তকাৰী গোট, চমুকৈ এছআইটিয়ে শিল্পীগৰাকীৰ দুই ব্যক্তিগত দেহৰক্ষী ক্ৰমে নন্দেশ্বৰ বৰা আৰু পৰেশ বৈশ্যক গ্ৰেপ্তাৰ কৰি আদালতত হাজিৰ কৰে। আদালতে দুয়োজনকে ৫ দিনৰ আৰক্ষী জিম্মালৈ প্ৰেৰণ কৰিছে। মন কৰিবলগীয়া যে প্ৰিয় শিল্পীগৰাকীৰ ৰহস্যজনক মৃত্যু সন্দৰ্ভত এতিয়ালৈকে মুঠ ৭জন অভিযুক্তক এছআইটিয়ে গ্ৰেপ্তাৰ কৰিছে। বিশেষ সূত্ৰৰ পৰা জানিব পৰা মতে, দুই দেহৰক্ষীৰ একাউন্টৰ জৰিয়তে প্ৰায় ১ কোটি ২০ লাখ টকাৰ লেনদেন হৈছিল। জীৱিত কালত শিল্পীগৰাকীয়ে যলৈকে গৈছিল, তালৈকে দুয়ো দেহৰক্ষীক লগত নিছিল। কোনোদিনে টকা-পইচাৰ হিচাপ নৰখা শিল্পীগৰাকীয়ে বহু ধন দুয়ো দেহৰক্ষীৰ একাউণ্টত জমা থ'বলৈ দিছিল। শেহতীয়াকৈ এছআইটিয়ে দুয়োজনক তিনি দিন ধৰি চলোৱা মাৰাথন জেৰাৰ অন্তত একাউণ্টত থকা ধনৰ লেনদেনৰ ব্যাপক বিসংগতি লাভ কৰিছে। যদিও দেহৰক্ষীদ্বয়ৰ একাউণ্টত জমা হোৱা ধন সন্দৰ্ভত শিল্পীপত্নী গৰিমা শইকীয়া গাৰ্গো জ্ঞাত আছিল তথাপি প্ৰকৃততে কিমান পৰিমাণৰ ধন দুয়োজন দেহৰক্ষীৰ একাউণ্টত জমা হৈছিল সেই সন্দৰ্ভত সঠিক তথ্য এতিয়ালৈকে তেওঁলোকে এছআইটিৰ সন্মুখত দিব পৰা নাই। সূত্ৰটোৱে কয় যে ব্যক্তিগত দেহৰক্ষী হ'লেও তেওঁলোক চৰকাৰী কৰ্মচাৰী। গতিকে আয়-বহিৰ্ভূতভাৱে ইমান বৃহৎ ধন তেওঁলোকে নিজৰ একাউণ্টত জমা ৰাখিব নোৱাৰে। সেইবাবেই সঠিক তথ্য আহৰণৰ বাবে দুয়োজনকে গ্ৰেপ্তাৰ কৰা হৈছে।

# বিজেপিৰ পৰা পদত্যাগ জ্যেষ্ঠ নেতা ৰাজেন গোহাঁইৰ



ৰঙিলী বাৰ্ত্তাসেৱা- বিজেপি ত্যাগ কৰিলে জ্যেষ্ঠ নেতা ৰাজেন গোঁহাইয়ে। দীঘলীয়া ক্ষোভ আৰু অসন্তুষ্টিৰ বহিঃপ্ৰকাশ ঘটাই বিজেপি ত্যাগ কৰে ৰাজেন গোঁহাইয়ে। ডিব্ৰুগড়ত ৰাজ্যিক বিজেপিৰ কাৰ্যনিৰ্বাহক সভা চলি থকাৰ সময়তে গুৱাহাটীত ৰাজেন গোহাঁয়ে আনুষ্ঠানিকভাৱে বাজপেয়ী ভৱনত পদত্যাগ-পত্ৰ দাখিল কৰে। বিজেপি দলৰ প্ৰাথমিক সদস্য পদৰ পৰা পদত্যাগ কৰে প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী ৰাজেন গোহাঁয়ে। ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়ালৈ লিখা মাত্ৰ দুটি শাৰীৰ পদত্যাগ পত্ৰখনত ৰাজেন গোঁহায়ে লিখিছে, “আপোনাক সন্মান সহকাৰে অৱগত কৰিব বিচাৰোঁ যে মই ভাৰতীয় জনতা পাৰ্টীৰ সকলো দায়িত্বৰ লগতে আজিৰ পৰা কাৰ্যকৰী হোৱাকৈ প্ৰাথমিক সদস্য পদৰ পৰা পদত্যাগ কৰিলোঁ ।আশাকৰো, মোৰ পদত্যাগ সাদৰেৰে গ্ৰহণ কৰিব।” ( নপৃষ্ঠাত চাওক)


# বিটিচিৰ নৱনিৰ্বাচিত ৪০ গৰাকী পাৰিষদৰ ৩৭ গৰাকী পাৰিষদৰ শপত গ্ৰহণ



ৰঙিলী বাৰ্ত্তাসেৱা- বৃহস্পতিবাৰে বিটিচি সচিবালয়ৰ বিধান পৰিষদৰ মজিয়াত বিটিচিৰ নৱনিৰ্বাচিত ৪০ গৰাকী পাৰিষদৰ ভিতৰত ৩৭গৰাকী পাৰিষদে আনুষ্ঠানিকভাৱে পাৰিষদ হিচাপে শপতগ্ৰহণ কৰে। কোকৰাঝাৰৰ বডোফা নগৰৰ বিটিচি বিধান পৰিষদীয় ভৱনত বিটিচি বিধান পৰিষদৰ প্ৰটেম অধ্যক্ষ ত্ৰিদীপ দৈমাৰীয়ে নৱনিৰ্বাচিত পাৰিষদসকলক শপতবাক্য পাঠ কৰায়। উল্লেখ্য যে বিটিচিৰ নৱ-নিৰ্বাচিত পাৰিষদসকলৰ শপতগ্ৰহণ অনুষ্ঠানত ইউপিপিএলৰ সভাপতি তথা পাৰিষদ প্ৰমোদ বড়ো, ইউপিপিএলৰ আন এগৰাকী পাৰিষদ ৰাকেশ ব্ৰহ্ম আৰু বিজেপিৰ পাৰিষদ ৰেখাৰাণী ( নপৃষ্ঠাত চাওক)


# সদৌ অসম গোসাঁই সমাজৰ শ্যামকানু আৰু ভাস্কৰজ্যোতি মহন্তৰ লগতে পৰিয়ালক বৰ্জন





ৰঙিলী বাৰ্ত্তাসেৱা- ছিংগাপুৰত জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনাৰে নাম সাঙোৰ খাই পৰা শ্যামকানু মহন্ত আৰু তেওঁৰ পৰিয়ালক এঘৰীয়া কৰিলে সদৌ অসম গোসাঁই সমাজে। একে সময়তে শ্যামকানু মহন্তৰ জ্যেষ্ঠ ভাতৃ তথা অসম আৰক্ষীৰ প্ৰাক্তন সঞ্চালকপ্ৰধান ভাস্কৰজ্যোতি মহন্তৰ ক্ষেত্ৰতো সদৌ অসম গোসাঁই সমাজে অনুৰূপ সিদ্ধান্ত গ্ৰহণ কৰিছে। এক বিবৃতিযোগে এই কথা জানিবলৈ দিয়ে সদৌ অসম গোসাঁই সমাজৰ সভাপতি দেবেন্দ্ৰ নাথ মহন্ত আৰু প্ৰধান সম্পাদক বিপ্লৱ জ্যোতি মহন্তই ।বিবৃতিটোত কয় যে আমাৰ হিয়াৰ আমঠু, মৰমৰ ( নপৃষ্ঠাত চাওক)

# উচ্চতম ন্যায়ালৰৰ পৰা লেখ আবেদন প্ৰত্যাহাৰ শ্যামকানু মহন্তৰ




ৰঙিলী বাৰ্ত্তাসেৱা- অৱশেষত উচ্চতম ন্যায়ালয়ত দাখিল কৰা লেখ আবেদনখন প্ৰত্যাহাৰ কৰিলে শ্যামকানু মহন্তই। মহন্তৰ হৈ অধিবক্তা ৰাজ কমলে লেখ আবেদনখন প্ৰত্যাহাৰৰ বাবে উচ্চতম ন্যায়ালয়ত আৰ্জি জনায়। আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ’ল যে উচ্চতম ন্যায়ালয়ত মহন্তৰ জামিনৰ বিৰোধিতাৰে অসম প্ৰদেশ তৃণমূল কংগ্ৰেছৰ জ্যেষ্ঠ উপ-সভাপতি দুলু আহমেদে শেহতীয়াকৈ অনলাইনযোগে এখন সতৰ্কীকৰণ (কেভিয়েট) আবেদন দাখিল কৰিছিল। আহমেদৰ কেভিয়েটৰ পিছতে মহন্তৰ অধিবক্তাই তেওঁৰ লেখ আবেদনখন প্ৰত্যাহাৰৰ বাবে দেশৰ শীৰ্ষ আদালতত আবেদন জনোৱাটো তাৎপৰ্যপূৰ্ণ ৰূপে বিবেচিত হৈছে। মহন্তৰ হৈ লেখ আবেদনখন প্ৰত্যাহাৰৰ হকে উচ্চতম ন্যায়ালয়ত (দহ পৃষ্ঠাত চাওক)

# তামাৰহাট থানাৰ আৰক্ষী বিষয়া কপিল বৰাক গ্ৰেপ্তাৰ




ৰঙিলী বাৰ্ত্তাসেৱা- আৰক্ষীৰ প্ৰহাৰত গুৰুতৰভাৱে আহত হৈ কৰুণ মৃত্যুক সাবটি লোৱা ধুবুৰী জিলাৰ তামাৰহাট থানাৰ অন্তৰ্গত মেছপাৰা গাঁৱৰ প্ৰয়াত মনোহৰী ৰায়ৰ উচিত ন্যায়, হত্যাকাণ্ডৰ খলনায়ক তামাৰহাট থানাৰ তদানীন্তন ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া কপিল বৰা আৰু হত্যাকাণ্ডৰ লগত জড়িত অন্যান্য দোষী আৰক্ষী জোৱানসকলৰ শাস্তিৰ দাবীত বিভিন্ন দল-সংগঠনে তামাৰহাট থানাৰ সন্মুখত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। জনসাধাৰণৰ ক্ষোভ বৃদ্ধি পোৱাৰ মাজতে ৮ অক্টোবৰৰ নিশা তামাৰহাট থানাৰ ভাৰপ্ৰাপ্ত বিষয়া কপিল বৰাক ধুবুৰী জিলা কাৰাগাৰলৈ প্ৰেৰণ কৰা হয়। নিশা ন্যায়িক দণ্ডাধীশৰ আগত হাজিৰ কৰোৱা হয় কপিল বৰাক। তাৰ পাছত ( নপৃষ্ঠাত চাওক)

# জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত গ্ৰেপ্তাৰ ভাতৃ-আৰক্ষী বিষয়া সন্দীপন গাৰ্গ



ৰঙিলী বাৰ্ত্তাসেৱা- ৫দিনীয়া জেৰাৰ অন্তত অৱশেষত এছআইটিয়ে গ্ৰেপ্তাৰ কৰিলে জুবিন গাৰ্গৰ সম্পৰ্কীয় ভাতৃ সন্দীপন গাৰ্গক। অসম আৰক্ষীৰ উপ-আৰক্ষী অধীক্ষক হিচাপে কৰ্মৰত সন্দীপন গাৰ্গ ছিংগাপুৰত ভ্ৰমণৰত অৱস্থাত জুবিন গাৰ্গৰ সৈতে একেখন য়াটতে আছিল। সন্দীপন গাৰ্গক গ্ৰেপ্তাৰ কৰাৰ পিছতে আদালতত হাজিৰ কৰোৱা হয় আৰু আদালতে ৭ দিনৰ বাবে এছআইটিৰ জিম্মাত ( নপৃষ্ঠাত চাওক)

# অখিল গগৈৰ বিৰুদ্ধে মানহানিৰ গোচৰ ৰিণিকি ভূঞা শৰ্মাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- গ’ল্ডেন থ্ৰেডছক লৈ ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে চলোৱা অপপ্ৰচাৰৰ বিৰুদ্ধে এক মানহানি গোচৰ তৰিলে প্ৰাইড ইষ্ট এণ্টাৰটেইনমেণ্ট প্ৰাইভেট লিমিটেডৰ অধ্যক্ষ তথা পৰিচালন সঞ্চালক ৰিণিকি ভূঞা শৰ্মাই। কামৰূপ (মহানগৰ) জিলা মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত ৫০২/২৫ নম্বৰৰ এক ফৌজদাৰী গোচৰ ৰুজু কৰি ৰিণিকি ভূঞা শৰ্মাই বিধায়ক অখিল গগৈৰ অভিযোগ খণ্ডন কৰাই নহয়, তেওঁ উত্থাপন কৰা অভিযোগৰ প্ৰমাণ দিবলৈ প্ৰত্যাহ্বান জনায়। উল্লেখ্য যে জুবিন গাৰ্গৰ মৃত্যুক লৈ অখিল গগৈয়ে এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰি নৰ্থ-ইষ্ট ফেষ্টিভেলৰ সৈতে ৰিণিকি ভূঞা শৰ্মাৰ গ’ল্ডেন থ্ৰেডছ নামৰ প্ৰতিষ্ঠানটোৰ সম্পৰ্ক থকাৰ অভিযোগ তোলাৰ লগতে ছিংগাপুৰত অনুষ্ঠিত নৰ্থ-ইষ্ট ফেষ্টিভেলত গ’ল্ডেন থ্ৰেডছৰ অনুষ্ঠান চলি থকাৰ কথাও কৈছিল। অখিল গগৈৰ এই অভিযোগক প্ৰত্যাহ্বান জনাই আদালতৰ দ্বাৰস্থ হোৱা ৰিণিকি ভূঞা শৰ্মাৰ অধিবক্তা কিশোৰ দত্তই গোচৰ দাখিল কৰি উল্লেখ ( নপৃষ্ঠাত চাওক)

# শৰতৰ আগমনত



**সুশীলা কলিতা, গুৱালকুছি**

সজল ধৰা কঠীয়াৰ সেউজ হাঁহিটো চাই
খেতিয়কে আনন্দতে সপোনৰ দিক্‌ছো বনত
আশাৰ চাকিটি জ্বলাই, নীৰৱ নিশা
কঁহুৱাৰ নাচোনত শৰতলৈ মনত কৰে -----
দুবৰি বনৰ মুকুতাৰ মালা আৰু শেৱালি ফুলৰ
ভুবন ভুলোৱা হাঁহিত, স্নিগ্ধ আকাশৰ
জোনটোৱেও ৰৈ যাব খোজে ।
শাৰদীয় আনন্দত ঘোষা-পদ গাই-গাই
খেতি-পথাৰৰ অপৰূপ দৃশ্যৰ পাৰভঙা আনন্দত,
নিজকে পাহৰি, নীলিম আকাশৰ তলৰ
জোন জ্বলা চোতালত বহি, আনন্দতে,
গুৰুজনাৰ নাট-ভাঁওনাৰ সাধু কোৱাত
লাগি যায় পুত্ৰ-বোৱাৰী, নাতি-নাতিনী হঁতৰ
আশাসুধীয়া মনৰ হেঁপাহ পলোৱাৰ বাবে ।

# শৰত আহে এইদৰে


দীপালি বৰ্মণ, গুৱাহাটী



শৰৎ আহে আহিনৰ বুকুত দোলা দি
তৰাৰ শেৱালি হাঁহি এমুঠি লৈ।
জোনাকৰ ৰাগীত মন উৰে
শৰতৰ গুণগুণ গীতৰ ঢৌ উঠে।
শৰৎ বিনন্দীয়া।
বৰ্ষাৰ বোকাময় মাদকতা স্নিগ্ধ কোমল
পৰশেৰে নতুন কৰি শৰৎ আহে।
শেৱালি ফুলে চোতাল শুৱায়।
চপৰা চপৰ ডাৱৰৰ আঁৰত মেঘালী জোনৰ হাঁহি বিৰিঙে।
চেঁচা নিয়ৰৰ মুকুতাই দুবৰিত ৰহণ চৰায়।
গেৰধৰা ধানৰ সুবাস বতাহত ওপচে।
লুইতৰ পাৰত কঁহুৱা ফুলে
হালি-জালি গায়, শৰৎ এটি ঋতু যাৰ নাম পবিত্ৰতা।
শৰতৰ ৰূপত ৰাধাই
ছন্দ তুলি নেপুৰৰ কৃষ্ণৰ স্বৰ্গীয় প্ৰেমত
হৈ পৰিছিল উন্মনা।
কবিৰ কাপেৰে নিগৰে শৰতৰ মধুৰ বন্দনা-
ঋতুৰাণী শৰৎ যেন সদ্যস্নাতা গাভৰু,
পুৱতি নিশাৰ সপোন।
এৰা। শৰৎ হিয়াৰ কোণত বাজি উঠা
এটি শেৱালি কোমল গীত,
যি গীতৰ মূৰ্চ্ছনাত সাৰ পায়
অসুৰ বধিবলৈ দেৱী মাতৃ।

# ভুল আৰু অনুশোচনাৰ মাজেৰে জীৱন চালিকা

**শৈলেন কুমাৰ, মিৰ্জা**



শুদ্ধ নে অশুদ্ধ ? কোনে নিৰ্ণয় কৰে ? জীৱন কষ্টকৰ নহোৱাকৈ কোনে চলিব বিচাৰে, বহুতে ভাৱে জীৱন এক ক্ৰীড়ামঞ্চ, ব্যক্তি বিশেষে জীৱন সংজ্ঞা ভিন্নভিন্ন । কিন্তু আমি মানুহ আৰু মানুহ হিচাপে জীয়াবলৈ বিচাৰো । চঞ্চল মনে ঘোৰা চেকুৰাৰ দৰে আমাক দৌৰাই থাকে। ভুল হয় লগতে অনুশোচনাও হয় । আমি নিজস্ব কৰ্মত সন্তুষ্ট আৰু আনৰ কৰ্মৰাজিত অসন্তুষ্টও হব পাৰো। পোহৰ আৰু অন্ধকাৰৰ মাজত মায়াবিনী নিশা। নাৱৰীয়াই নৌকা লৈ নদীত নিৰন্তৰ বৈঠা মাৰি আগবাঢ়ি আছে। চকুৰে দেখিছো মনমগজুৰে অনুধাৱন কৰিছো। দেখা আৰু শুনাৰ মাজেৰে নিজক স্থিৰ অথবা অস্থিৰ কৰি সিদ্ধান্ত লৈ আগবাঢ়িছো। জীৱন নামৰ নাটখনত মোয়ে নায়ক অথবা খলনায়ক হৈ অভিনয় কৰিছো। অলপ ক্ষণ থমকি চাই জিৰণি লৈ ভাবিছো যাত্ৰাৰ অন্ত ক'ত ? এইযে আবেগ অনুভূতিবোৰ পৰ্বত পাহাৰত উপবিষ্ট শিল পাথৰ বোৰত নাই নেকি ? জড় পদাৰ্থবোৰ চাগে বহুত সুখী কাৰণ সিহঁতৰ আবেগ অনুভূতি নাথাকে। জীৱ হ'লে সুখদুখ, তিতাকেহা, মিঠা সকলো অনুভৱ হয় । তথাপি জীৱন জিন্দাবাদ, জীৱন চলি যায় বৈ যায় কেৱল যাত্ৰাপথৰ পদধূলি। চঞ্চলা মনৰ চকৰি ঘূৰে আমি আশা আকাংক্ষাৰ মায়াচক্ৰত আৱদ্ধ হওঁ। থমকি ৰোৱাৰ আহৰি নাই, অনুশোচনাবোৰ যেন কৰবাত অন্তৰ্ধান হয়। সুখত হেপাঁহ পলুৱাই হাঁহো, দুখত হিয়াধাকুৰি কান্দো। তাকে দেখি কোনবাই ৰং পায় কোনবাই আকৌ গৌৰৱত উফন্দি উঠে। পৰ আপোন ক'ত থাকে সেয়া চঞ্চল মনৰ ৰচনা । আমি যেতিয়ালৈকে বুজিবলৈ আৰম্ভ কৰো তেতিয়া বহু পলম হয় নেকি? শুই উঠিলেই পোহৰ হয় কথাখিনি আমি তেনেকুৱাকৈও ল'ব পাৰো। ভাল মানুহ বেয়া মানুহ চয়তান মানুহ সকলোৱে ৰংগমঞ্চৰ একো একোজন পাকৈত অভিনেতা, অভিনেত্ৰী। কিন্তু স্থিতপ্ৰজ্ঞ আৰু সংযমী হ'ব আমাক কোনে শিকাই? ঈশ্বৰ, আল্লা, ভগৱান নামৰ কাল্পনিক সত্বা এটা থকা বুলি কোনে বিশ্বাস কৰে? হয়টো সেয়া আমাৰ মাজতে কোনবা অলৌকিক প্ৰৱাহিত প্ৰদত্ত। যাত্ৰাৰ শেষত কি? এই যাত্ৰাই হয়টো জীৱনৰ সংজ্ঞা। ভুল আৰু অনুশোচনাৰ এই জীৱনযাত্ৰাই আমাৰ জীয়াই থকাৰ সম্বল তথা জীৱন চালিকা। ভুলবোৰ অনুশোচনাৰ মাজেৰে শুদ্ধ কৰি সাহসেৰে সমস্যাবোৰৰ লগত দৃঢ়তাৰে যুঁজ দি আগুৱাই গৈ অৱশেষত আমি যাত্ৰাৰ শেষ মুহূৰ্ত অৰ্থাৎ অভিনয়ৰ ৰংগমঞ্চৰ যৱনিকালত বিচাৰাধীন হ'ম মানুহ আৰু মানৱতাৰ। কেৱল ব্যক্তিগত স্বাৰ্থকেন্দ্ৰিক নহৈ আত্মকেন্দ্ৰিক দৃষ্টিৰে আত্মঅৱলোকন কৰাৰ প্ৰয়োজন। জীৱনত শুদ্ধ নে অশুদ্ধ তাৰ নিৰ্ণয় আনে নহয় বৰঞ্চ নিজেই নিজক কৰাৰ প্ৰয়োজন। শুদ্ধ মানে সত্য আৰু অশুদ্ধ মানে অসত্য। আমাৰ জীৱনটো শুদ্ধ সত্যৰে আগবাঢ়িছেনে তাক নিৰূপণ কৰাই জীৱনৰ আন এটি নাম।

# জীৱনৰ মূল্য



**চিমী বৰুৱা, মৰিগাঁও চৰাইবাঁহী**

মানুহ হৈছে এক মূল্যবান উপহাৰ । এই জীৱনত আমি বহুতো অভিজ্ঞতা আৰ্জন কৰোঁ, বহুতো মানুহৰ সৈতে সম্পৰ্ক গঢ়ি তোলোঁ আৰু বহুতো স্মৃতি সৃষ্টি কৰোঁ। জীৱনৰ প্ৰতিটো মুহূৰ্তই আমাক নতুনকৈ শিকাই, নতুনকৈ অনুভৱ কৰায়।

জীৱনত আমি বহুতো উত্থান- পতান দেখা পাওঁ। কেতিয়াবা আমি সুখৰ সাগৰত উটি যাওঁ, কেতিয়াবা দুখৰ সাগৰত ডুব যাওঁ কিন্তু এই সকলোবোৰ অভিজ্ঞতাৰ মাজেৰেই আমি জীৱনৰ মূল্য বুজি পাওঁ।

জীৱনত সফলতা আৰু বিফলতা দুইয়োটাই আমাক মূল্যৱান শিক্ষা দিয়ে। সফলতাই আমাক আত্মবিশ্বাস দিয়ে, আনহাতে বিফলতাই আমাক ধৈৰ্য আৰু অধ্যৱসায় শিকাই ।

জীৱনত মানুহৰ সম্পৰ্কবোৰো অতি মূল্যৱান । পৰিয়াল, বন্ধু - বান্ধবী, সহকৰ্মী এই সকলোবোৰ মানুহেই আমাৰ জীৱনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। তেওঁলোকৰ সৈতে কটোৱা সময়, তেওঁলোকৰ সৈতে ভাগ কৰা অভিজ্ঞতা এই সকলোবোৰে আমাৰ জীৱনক সমৃদ্ধ কৰে।

জীৱনৰ প্ৰতিটো মুহূৰ্তই মূল্যৱান। গতিকে আমি জীৱনটো উপভোগ কৰিব লগে, জীৱনটোৰ পৰা সকলো সম্ভৱ হোৱা কৈ শিক্ষা লক্ষ্ৱ লাগে আৰু জীৱনটোক সাৰ্থক কৰি তুলিব লাগে।

শেষত, জীৱন হৈছে এক মূল্যবান উপহাৰ । আমি এই জীৱনটো উপভোগ কৰিব লাগে, জীৱনটোৰ পৰা শিক্ষা ল'ব লাগে আৰু জীৱনটোক সাৰ্থক কৰি তুলিব লাগে ।

# ভুল স্বীকাৰ কৰা এটা মহান গুণ




**আয়শা ছিদ্দিকা (আছৰি), বাংলিপাৰা, বৰপেটা**

মানুহ মাত্ৰেই ভুল। মানুহে যদি ভুল নকৰে কেতিয়াও সঠিকটো শিকিব নোৱাৰে। জীৱনৰ পথত আগলৈ খোজ দি আমি প্ৰত্যেকেই কেতিয়াবা অজ্ঞাত - সাৰে, কেতিয়াবা আবেগৰ তাড়নাত, আকৌ কেতিয়াবা ইচ্ছাকৃত ভাবে কথাবোৰ ভাবি নোচোৱাকৈয়ে নানান ভুল-ত্ৰুটি কৰি থাকো। এই ভুলবোৰ আমাৰ জীৱন-যাত্ৰাৰ এক অনিবাৰ্য অংগ। কিন্তু এই ভুলবোৰক লৈ হতাশ হোৱা কিংবা লুকুৱাই ৰখাটোৰেই যে আমাৰ আটাইতকৈ ডাঙৰ ভুল, এই কথাটো আমি উপলব্ধি নকৰো। প্ৰকৃত পক্ষত, নিজৰ কৰা ভুলবোৰ সততাৰে স্বীকাৰ কৰিব পৰাটো এক মহান গুণ, যিয়ে আমাক এক ভাল মানসিকতাৰ সৎ ব্যক্তি হিচাপে গঢ়ি তুলিবলৈকো সহায় কৰে।

ভুল স্বীকাৰ কৰাটো মানে আত্ম-অবমাননা কৰাক নুবুজাই ই আত্ম-সচেতনতাৰ পৰিচয় দিয়ে। জ্ঞাতেই হওক বা অজ্ঞাতেই যেতিয়া আমি আমাৰ ভুল স্বীকাৰ কৰোঁ তেতিয়া এই স্বিকাৰোক্তিয়ে আমাৰ সততাৰ পৰিচয় দিয়ে। এই সততাই আমাৰ চৰিত্ৰত এক গভীৰতা আনে। ই আমাক স্বাৰ্থপৰ আৰু অহংকাৰী হোৱাৰ পৰা ৰক্ষা কৰে। সমাজে এনেবোৰ ব্যক্তিক সদায় সন্মানৰ চকুৰে চায়, কিয়নো তেওঁলোকে দেখুৱায় যে সত্য আৰু ন্যায়ৰ বাবে তেওঁলোকৰ অহংকাৰতকৈও ডাঙৰ মূল্যবোধ আছে।

ভুল স্বীকাৰ কৰিলে আমি শিকাৰ এক অনন্য সুযোগ পাওঁ। যেতিয়া ভুলটো লুকুৱাই ৰখা হয়, তেতিয়া সেই ভুলৰ পৰা হ'ব পৰা শিক্ষাটোও লুকাই ৰখা হয়। কিন্তু যেতিয়া আমি ভুলটো মানি লওঁ, তেতিয়া ইয়াৰ কাৰণসমূহ চাবলৈ বাট মুকলি হয়। কিয় এই ভুল হ'ল, কি কৰিলে ইয়াৰ পুনৰাবৃত্তি নহ'ব এই চিন্তাই আমাক জীৱনত আগবাঢ়ি যোৱাত সহায় কৰে। এনেদৰে প্ৰত্যেকটা ভুলেই আমাক আগতকৈ বেছি জ্ঞানী আৰু সচেতন কৰি তোলে।


আমাৰ সম্পৰ্কৰ ক্ষেত্ৰতো ভুল স্বীকাৰৰ গুৰুত্ব অপৰিসীম। সংসাৰত, বন্ধুত্বত বা কাৰ্য্যক্ষেত্ৰত আমি আমাৰ প্ৰিয়জনৰ সৈতে অনিচ্ছাকৃতভাৱে কিছুমান ভুল কৰিয়েই থাকো। এনে ক্ষেত্ৰত অহংকাৰী আৰু অভিমানৰ বাবে মৌনতা ধৰি ৰখাটোৱে সম্পৰ্কত কেৱল বাধাৰ প্ৰাচীৰহে গঢ়ি তোলে। ভুল স্বীকাৰ কৰাৰ মাজতেই যে নিহিত হৈ থাকে সম্পৰ্ক মৰমেৰে সেউজীয়া কৰি ৰখাৰ মহাশক্তি সেই কথাটো পাহৰি থাকোঁ আমি । ইয়ে এটা দুৱাৰ মুকুলি কৰি সম্পৰ্কক আগতকৈও দৃঢ় আৰু শক্তিশালী কৰে।

এক কথাত ক'বলৈ গ'লে, ভুল স্বীকাৰ কৰাটো কোনো দুৰ্বলতাৰ চিন নহয়। ইয়াৰ বাবে প্ৰয়োজন হয় অসম্ভৱ সাহস আৰু আত্মবিশ্বাস। ই আমাক আমাৰ নিজৰ সৈতে আৰু সমাজৰ সৈতে সত্যতা ৰক্ষা কৰিবলৈ শিকায়।

ভুলক বন্ধু হিচাপে গ্ৰহণ কৰি, ইয়াৰ পৰা শিক্ষা লওঁ আহক। কিয়নো, যিজনে নিজৰ ভুল মানি ল'ব পাৰে, তেওঁয়েই হ'ল প্ৰকৃত অৰ্থত জ্ঞানী আৰু শক্তিশালী ব্যক্তি। ভুল স্বীকাৰেই হ'ল এক উজ্জ্বল ভৱিষ্যত গঢ়াৰ প্ৰথম আৰু আটাইতকৈ গুৰুত্বপূৰ্ণ পদক্ষেপ।

# মানুহ নোহোৱা হ'ল

**অৰ্ণৱ কটকী, জাঁজী, যোৰহাট**



আজিকালি মানুহ নোহোৱা হ'ল, চহৰৰ দৰেই গাওঁ বিলাকো উন্নত হ'ল। আধুনিক যুগৰ আধুনিকা। গাওঁ বিলাকৰ পৰাও (কিছু সংখ্যক গাওঁৰ) অতীজৰ বহু পৰম্পৰা হেৰাই গ'ল। আনৰ দুঃখত দুখ কৰিবও সময় নোহোৱা হ'ল আজি আমাৰ। আনকি শ্মশানলৈ নিবলৈও আজি কালি হাজিৰা দিব লগা হ'ল (একাংশ ঠাইত), মানৱতাতকৈ যেন অৰ্থৰ দাম বাঢ়ি হে গ'ল। সকলোতে সুৰাৰ প্ৰচলন বাঢ়িল, জীৱনৰ মূল্য কমিল। অনুভৱ কৰে নে আপুনিও ?

চাকৰি মুখী হোৱালৈ যেন ঠিকেই আছিল সমাজ-খন। অনুভৱ হয় লাহে লাহে আমি যেন অৰ্থৰ লালসাত বন্দী, মানৱতা মোহাৰি। অৰ্থ, সম্পত্তি সকলো লাগে, থকাটো ভাল কিন্তু সকলো পাহৰি পাহাৰ সম সম্পত্তি গোটোৱাটো জানো জীৱন? টকাৰে সকলো কিনিব পাৰিব কিন্তু নিজৰ জীৱনটো? তেজ শুহি খোৱা ব্যক্তিৰ জানো থাকে সেই মানৱতা বোধ, আনৰ প্ৰতি দয়া। অৱক্ষয় কিয় হৈছে মানৱতা, বাৰে বাৰে ভূ লুণ্ঠিত হৈছে কিয় আজিৰ সমাজত! নিৰিহ কোনো ব্যক্তিৰ গগন ফলা চিঞৰতো কিয় গলাব পৰা নাই মন মগজু। সেই নিতাল মাৰি শুই পৰা সমাজ খনক জগাব কোনে আহি? ভয়াবহ হৈ পৰিছে! জটিল হৈ গৈছে মানুহৰ মন বিলাক। আনৰ জীৱন ল'বলৈ যিমান উৎসাহী (উদাহৰণস্বৰূপে মৰেল পুলিচ) জীৱন দিবলৈ দেখোন সিমানেই বেছি পিছহুহুকা। কাৰোবাক জীৱন দিবলৈ উৎসাহী হওঁ আহক, মানৱতা পুনৰ এবাৰ প্ৰতিষ্ঠা কৰোঁ নিজৰ চৌপাশৰ পৰাই। মানুহৰ মাজতে মানুহ নোহোৱা হ'ল।

# শৰতৰ শেৱালি


**ৰীতা কলিতা**



বৰ্ষা ঋতুৰ সামৰণিত হয়  
শৰৎৰ আদৰণি।  
চাৰিওফালে বোকা পানী  
আঁতৰি শুভিত হয় ধৰণী।  
স্নিগ্ধ জোনাক পোহৰত  
নিশা ফুলি ৰয় শেৱালী।  
নিশা ফুলি সুৱাস বিয়পাই  
মন মতলীয়া কৰি,  
প্ৰভাততে সৰি পৰি  
পুদুলি সজাই থয়  
শুভ্ৰ দলিচা পাৰি।  
আহিনৰ নিয়ৰ সিক্ত  
তলত সৰা শেৱালিৰ  
সুৱাসত উদুলি-মুদুলি  
মোৰ ঘৰৰ পদূলি।

# বিদায়

**প্ৰভাত বণিয়া**




তোমাৰ অবৰ্তমান বৰ অসহনীয়  
আকাশ আছে  
বতাহ নাই  
আন্ধাৰ আছে  
পোহৰ নাই  
ৰাউচিজুৰি পখীয়ে কান্দে  
জীৱন আছে যৌৱন নাই  
চকুৰ লোতকে  
দুগাল তিয়ায়  
বৰ অসহনীয়  
তোমাৰ অবৰ্তমান  
সপোন আমাৰ মৰহি যায়।

# হিয়াৰ আমঠুৰ

দানৱীয় কাৰ্য্যৰ কথা। এইবোৰ দেখাৰ পাছতো কিহক লৈ আমি বোৰে অহংকাৰ কৰো কিয়েই বা প্ৰয়োজন টকা -পইচা, ধনী দুখীয়া, জাত - পাত এৰি সকলো ধৰ্মালম্বী লোক এক হৈ এখন সোনৰ অসম গঢ়িব নোৱাৰি নে ! জুবিন দাই ভৱাৰ দৰে সেই অসমখন আমি গঢ়িব নোৱাৰো নে ?

আজি আমি জুবিনদাৰ শোকত ম্ৰিয়মান হৈ আছো পিছলৈ যাতে তেখেতৰ সৃষ্টিক সুৰক্ষিত কৰি তেওঁ যিমান খিনি আমাক দিলে সকলো খিনি চিৰস্থায়ী কৰি ৰাখি ভৱিষ্যত প্ৰজন্মৰ আগত উলিয়াই দিব পাৰা কৈ সুৰক্ষিত কৰি ৰাখিব লাগিব ।উচ্চস্তৰত কিছুমান বিজতৰীয়া গীত দি কিছোমান অদ্ভুত ভংগীমা ৰে নৃত্য কৰি আমাৰ সংস্কৃতিক বিজতৰিয়া নকৰোঁ বুলি অংগীকাৰ কৰিলেহে আমাৰ হিয়াৰ আমঠু জুবিন দাৰ লগতে আমাৰ সংস্কৃতিৰ। ষ্টা সকল জীয়াই থাকিব বুলি বিশ্বাস কৰো ।নহ'লে তেখেতৰ আত্মাই বৰ কষ্ট পাব।


সত্যমেৱ জয়তে
অসম চৰকাৰ
শ্ৰদ্ধাঞ্জলি আঁচনি
JANASANYOG- 2460/25/12-Oct-25
বহিঃৰাজ্যত মৃত্যু হোৱা অসমৰ ব্যক্তিৰ
নশ্বৰ দেহ মৰ্যাদা সহকাৰে স্বগৃহলৈ অনাৰ পদক্ষেপ
আঁচনিখনৰ সবিশেষ
সেৱা সেতু
প'ৰ্টেলত উপলব্ধ
বৈশিষ্ট্যসমূহ
বহিঃৰাজ্যত বিশেষ পৰিস্থিতিত মৃত্যু হোৱা অসমৰ স্থায়ী বাসিন্দাৰ ক্ষেত্ৰত এই আঁচনি প্ৰযোজ্য হ'ব
আৰ্থিকভাৱে সবল শ্ৰেণী বা নিজাববীয়াকৈ ব্যৱস্থা কৰিব পৰা লোকৰ ক্ষেত্ৰত এই আঁচনি প্ৰযোজ্য নহ'ব
চিকিৎসাৰ বাবে বহিঃৰাজ্যলৈ যোৱা ৰোগীসকলক এই আঁচনিত সামৰি লোৱা নহ'ব
আঁচনিখন ৰূপায়ণত গৃহ আৰু ৰাজনৈতিক বিভাগৰ তত্ত্বাৱধানত অসম আৰক্ষীয়ে সমন্বয় ৰক্ষা কৰিব
আৰক্ষীৰ সৈতে যোগাযোগ কৰিবলৈ-
৯১৮১০-১৪৮৮৮
১১২
০৩৬১-২৩৮১৫১১
তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত
Connect with us @diprassam dipr.assam.gov.in
অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি ৱাটছএপ কৰক


# বকুল ফুলৰ দৰে উপন্যাস খনৰ অৰ্ন্তনিহিত অনুভৱ মাষ্টৰ সত্তাটি আমাৰ ইয়াতো আছে

পদ্ম মৰাণ,
তিনিচুকীয়া কাকপথাৰ

শিক্ষা হৈছে আমাৰ বাস্তৱ জীৱনৰ মূল চাবিকাঠি। বৰ্তমান জীৱনৰ বহু খিনি জ্ঞান পাঠ্যপুথিৰ পৰা আহৰণ কৰিব লগীয়া হয়, যদিও বহু খিনি জ্ঞান মানৱ সমাজৰ পৰা আহৰণ কৰিব লগা হয়। অসমীয়া সাহিত্য জগত খন হল এক জাতীয় জাগৰণৰ অমৰ সৃষ্টি। শিক্ষা ক্ষেত্ৰখনলৈ মন কৰিলে পূৰ্বতে কেইজন মান বিশিষ্ট ব্যক্তিয়ে সাহিত্য চৰ্চা কৰিছিল যদিও বৰ্তমান অসমীয়া বহু সাহিত্যিকে বিভিন্ন ধৰণৰ গ্ৰন্থ আগবঢ়াইছে। সেই সমূহৰ ভিতৰত মোৰ এখন অতি প্ৰিয় কিতাপ হ'ল মৃণাল কলিতা দেৱৰ বকুল ফুলৰ দৰে। বিভিন্ন ধৰণৰ সাহিত্য কিতাপ সমূহ পঢ়াৰ হাবিয়াস এটা কম বয়সতে জন্মিছিল । মই অধ্যয়ন কৰা সাহিত্য জগতৰ প্ৰথম খন কিতাপেই আছিল বকুল ফুলৰ দৰে। কিতাপ খন পঢ়ি সঁচাকৈ কিবা এটা অনুভৱ ৰৈ গৈছিল। বাস্তৱ জীৱনত থাকিব পাৰে নে মৰম, আদৰ, অনুভৱ এইবোৰক প্ৰাধান্য দিয়া শিক্ষক। পঢ়ি থকা সময়ত কিতাপ খনৰ প্ৰত্যেকটো বাক্যই মোৰ চকু পানী নিয়ৰ হৈ সৰিছিল। অনুভৱ sir ৰ অসীমৰ প্ৰতি থকা বিশ্বাস, মৰম আদৰ বোৰেই মোৰ মন মুগ্ধ কৰি পেলাইছিল। সাৱলীল আৰু অনুপ্ৰেৰণা বোধৰ গুণৰ মানুহ বাস্তৱ জীৱনত থাকে নে? মোৰ বাবে কিছু প্ৰশ্ন বোধক হৈ পৰিল। সেই সময়ত অনুভৱ বোৰ সামৰি ৰাখিছিলো মনত। কেতিয়াবা মইও যদি জীৱনত তেনেকুৱা অনুভৱ sir দৰে অন্তৰ জিকাব পৰা শিক্ষক লগ পাও নিশ্চয় কিতাপ খনৰ দস্তাবেগ বোৰ উনুকীয়াবলৈ চেষ্টা কৰিম।

আমি পৰিকল্পনা কৰা বিপৰীতে কিছুমান বস্তু কেতিয়াবা আমাৰ হাতত আহি পৰে, সেয়েহে মানৱ জীৱনটো কল্পনা অপৰিসীম এক সত্তা। যাত্ৰিকতা এই মায়াভৰা কঠোৰ সংগ্ৰামৰ পৃথিৱী খন কোনো কাৰো আপোন নহয় বুলি জীৱনৰ সৰু সৰু অভিজ্ঞতাই সকলোকে কিছু কিছু ক্ষেত্ৰত সবল কৰি থৈছে। সকলোৱে নিজৰ নিজৰ পৃথিৱী আখৰা কৰাত ব্যস্ত। মৰম, স্নেহ, সহানুভূতি, আদৰ, স্বভিমান, অনুভূতি এইবোৰ স্বীকৃতি দিয়াত যেন সকলো মানুহেই ব্যৰ্থ। সকলোৱে এইবোৰ ভবাৰ দৰে মইও এই ক্ষেত্ৰত ব্যতিক্ৰম নাছিলোঁ । মইও বাস্তৱ সমাজত বকুল ফুলৰ দৰে উপন্যাসখনত উল্লেখ থকা মহেন্দ্ৰ মাষ্টৰ চৰিত্ৰৰ দৰে শিক্ষক আছে বুলি মনত ধাৰণা কৰি লৈছিলোঁ, এই ক্ষেত্ৰত মই কোনো শিক্ষক বেয়া বুলি প্ৰতিপন্ন কৰিবলৈ যোৱা নাই মইও জীৱনত বহুত ভাল শিক্ষক লগ পাইছোঁ, কিন্তু বৰ্তমান ছাত্ৰ ছাত্ৰী সমাজ খনে এটা ভূল ধাৰণা মনত পোষণ কৰি লৈছে যে মহেন্দ্ৰ মাষ্টৰ দৰে দয়াহীন সময় সাপেক্ষে কঠোৰ হৈ পৰাই শিক্ষকৰ আচল চৰিত্ৰ বুলি বিশ্বাস কৰে আৰু বাস্তৱ জীৱনত শিক্ষক সকল তেনেকুৱা প্ৰকৃতিৰ হয় বুলি বহু ছাত্ৰ ছাত্ৰীয়ে মনত ধাৰণা কৰি লয় । মইও প্ৰথমে কিতাপ খন পঢ়ি পেলাই ভাবিছিলো বাস্তৱ জীৱনত সঁচাকৈ অনুভৱ sir দৰে শিক্ষক আছে নে বুলি, মইও কেতিয়াবা যে বাস্তৱ জীৱনত এনে শিক্ষক লগ পাম মোৰ বাবে কল্পনা অপৰিসীম আছিল। কিতাপ খনৰ কাল্পনিক চৰিত্ৰ এটা বাস্তৱ জীৱনত এজন শিক্ষক হিচাপে লগ পাম বুলি সঁচাকৈ ভবা নাছিলোঁ । হয় মই কব বিচাৰিছোঁ অনুভৱ মাষ্টৰ দৰে একে সত্তাকে একে সঞ্জীৱনীকে জীয়াই ৰখা আমাৰ তিনিচুকীয়া জিলাৰ অন্তৰ্গত Doom Dooma ৰ ৰূপাই অঞ্চলত অৱস্থিত বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয় সহকাৰী শিক্ষক ৰূপে কৰ্মৰত অক্ষই জ্যোতি মহন্ত কথা। শিক্ষক হবলৈ বহু গুণৰ অধিকাৰী হব লাগিব, কেৱল নিজকে শিক্ষক পদত অধিষ্ঠিত কৰিলেই যে সঁচা অৰ্থত এজন শিক্ষক হৈ পৰে সেই কথা মোৰ দৃষ্টিৰে নকয়। Sir ক লগ পোৱাৰ আগলৈকে মইও মনত এক ভূল ধাৰণাকে প্ৰাধান্য দি আছিলো। ভাবিছিলো হয়টো বাস্তৱ জীৱনত কোনো এনেকুৱা শিক্ষক থাকিব নোৱাৰে যিয়ে কাৰোবাৰ মন জয় কৰিবলৈ সক্ষম হয়। সঁচাকৈ অক্ষই sir এজন বহু গুণৰ লগতে গাম্ভিৰ্য্য পূৰ্ণ ব্যক্তি। এজন ছাত্ৰৰ আবেগ অনুভূতি প্ৰশ্ৰয় দিয়া এজন অংকুৰিত ব্যক্তি আপুনি। উপন্যাস খনত অৰ্ন্তনিহিত অনুভৱ sir যি সাৱলীল চৰিত্ৰ আছে সেই সকলো বোৰ গুনেই যেন তেওঁৰ তাত বিৰাজমান। ভবা নাছিলোঁ কেতিয়াও যে আপোনাৰ দৰে ব্যক্তি জীৱনত লগ পাম। মানুহৰ আবেগ অনুভূতি এইবোৰ প্ৰাধান্য প্ৰদান কৰা এজন সফল ব্যক্তি আপুনি, মানুহ বোৰে সমাজ খনত বৰ্তমান ইমানেই যান্ত্ৰিকতা সোমাই পৰিছে যে মানৱতা বোধ হেৰাই গৈছে, নিজৰ বাহিৰে বেলেগক প্ৰাধান্য দিয়া কথাটো যেন আওকাণ কৰে, কিন্তু আপুনি সঁচাকৈ পৃথক সেই সকল শিক্ষকৰ তুলনাত। আপোনাৰ গাত যেন এজন সফল শিক্ষকৰ সকলো গুণেই বিৰাজমান, বিভিন্ন সমস্যা সমূহ পৰিচালনা আৰু ৰূপায়ন কৰাত যে কেৱল এজন ছাত্ৰই দৃষ্টি নিক্ষেপ কৰিব লাগিব এনে নহয় এই ভ্ৰান্ত ধাৰণাৰ কথা যেন পুনৰ বাৰ আপোনাৰ পৰাই বুজি উঠিলো। মানুহ জনৰ ব্যক্তিত্ব টো সঁচাকৈ আপোন মোৰ কেইবাটাও জনমৰ আপোনাৰ ব্যক্তিত্বই মোৰ বাবে সঁচাকৈ আকৰ্ষণৰ কেন্দ্ৰবিন্দু, সজ সৰল অমায়িক ব্যক্তিতই যেন এক এৰাব নোৱাৰা এনাজৰিৰে বান্ধি পেলালে, কিছুমান ব্যক্তি আছে যিয়ে কেৱল নিজৰ ব্যক্তিগত জীৱনত বেছি গুৰুত্ব প্ৰদান কৰে এজন শিক্ষাৰ্থীৰ প্ৰয়োজনীয়তা ওপৰত দৃষ্টি নাৰাখে। কিন্তু আপুনি সেইবোৰৰ তুলনাত বহুত ওপৰত এজন ছাত্ৰক সদায় আগুৱাই নিয়াত কেনেদৰে, কি পন্থা অৱলম্বন কৰিব লাগে সেই দিশত আপুনি সদায় আগৰণুৱা। থাকে এজন ছাত্ৰৰো থাকে কিছুমান সমস্যা কিছুমান বিশেষ দিশত দুৰ্বলতা কিন্তু সেইবোৰ যে আপুনি পদ পদক্ষক হিচাপে আঙুলিয়াই দিয়ে সেইয়াই আমাৰ বাবে বিশেষ, সেয়েহে কওঁ শিক্ষকৰ লগতে এজন ভাল মানুহ হিচাপে এজন বিশেষ ব্যক্তি আপুনি । মানুহ হিচাপে জন্ম লৈ খুব কম দিনৰ বাবে এই পৃথিৱীত থাকে সেই দিন কেইটা যে মানুহে মানুহক প্ৰাধান্য দিব লাগে, এই অনুভৱ টো sir ক দেখা পালে পুনৰ বাৰ মনত ইচ্ছাকৃত ভাৱে উদয় হয়। এজন শিক্ষক হিচাপে সঁচাকৈ মহান আপুনি, আপোনাৰ ব্যক্তিত্বই সুকীয়া, ছাত্ৰ ছাত্ৰী মাজৰ থকা সমস্যা বিলাকৰ সমাধান আপুনি সেয়েহে কওঁ আপুনি সঁচাকৈ মোৰ বাবে এজন মহান ব্যক্তি। উপন্যাস খনত অনুভৱ মাষ্টৰে

*(বাৰপৃষ্ঠাত চাওক)*




## শৰতৰ আগমন



মালবিকা দেৱী,শোণিতপুৰ হুগ্ৰাজুলি

বৰ্ষাৰ অন্তত শৰত আহিছে
নৱ জেউতি লৈ,
তৰু তৃণে ফুল পাতেৰে
জাতিষ্কাৰ হৈ।
মুক্ত বিহগে শূণ্যে শূণ্যে উৰি
জুৰিলে সুমধুৰ গীত,
প্ৰাণ চঞ্চল ডেকা গাভৰু অন্তৰত
উথলি উঠিল ঝুমুৰ গীত।
শেৱালি ফুলিল পদুম ফুলিল
আহিল শাৰদীয় পূজা,
নিশাৰ আকাশত উজ্বল জ্যোতিষ্কই
দেখা দিলেহি আহি।
শৰত ঋতুৱে লৈ আহিছে
শেৱালি ফুলৰ সুবাস,
সকলোৰে মনবোৰ উদাস আজি
সকলোৰে মনত উদাস।

# বিজেপিৰ পৰা পদত্যাগ জ্যেষ্ঠ

ৰাজেন গোহাঁয়ে পদত্যাগৰ পিছতে সৰৱ হোৱা পৰিলক্ষিত হ'ল। সংবাদ মাধ্যমৰ আগত নিজৰ ক্ষোভ প্ৰকাশ কৰি ৰাজেন গোহাঁয়ে কয়- বিজেপিয়ে নিজকে অসমীয়াৰ ত্ৰাণকৰ্তা বুলি কয়। কিন্তু মই কওঁ অসমীয়াৰ আটাইতকৈ ডাঙৰ শত্ৰু হৈছে বিজেপি। শুনিবলৈ আচৰিত হ'লেও এই কথা সত্য। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা সকলো দিশত বিফল হোৱা বুলি মন্তব্য কৰি ৰাজেন গোহাঁয়ে কয়-অৰুণোদয় আঁচনিৰে শাসনত টিকি থাকিব বুলি ধাৰণা কৰিছে যদিও অৰুণোদয় হিতাধিকাৰীয়ে বিজেপিক ভোট নিদিয়ে। জুবিনৰ অনুৰাগীয়েও বিজেপিক বৰ্জন কৰিব। হিতাধিকাৰী সৃষ্টি কৰি নিৰ্বাচন জিকিব নোৱাৰে। উল্লেখ্য যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সৈতে সংঘাত সৃষ্টি কৰি যোৱা দীৰ্ঘসময় দলৰ পৰা একপ্ৰকাৰ আঁতৰি থকা গোহাঁয়ে শেহতীয়াকৈ দিলীপ শইকীয়া সভাপতি হোৱাৰ পিছত কিছু সক্ৰিয় হৈছিল। আনকি দলৰ হকে কাম কৰি যাব বুলিও তেওঁ দিলীপ শইকীয়াক প্ৰতিশ্ৰুতি দিছিল। কিন্তু এনে প্ৰতিশ্ৰুতি বেছি দিন ধৰি নাৰাখিলে ৰাজেন গোহাঁয়ে। মুখ্যমন্ত্ৰী আৰু দলীয় নেতৃত্বৰ বিৰুদ্ধে ক্ষোভ উজাৰি ৰাজেন গোহাঁয়ে কয়- আমি দলৰ বাবে জীৱন-যৌৱন ত্যাগ কৰিলোঁ। নতুনকৈ বিজেপিলৈ অহাসকলে পুৰণিসকলক যি ইচ্ছা সেইধৰণে ব্যৱহাৰ কৰে। দলৰ পুৰণিসকলক ৰক্ষণাবেক্ষণ দিয়া কোনো নাই। কিন্তু এই নতুনসকলৰ বাবে আমি বিজেপি দল কৰা নাছিলোঁ। যিসকলৰ নেতৃত্বত বিজেপি দল গঠন হৈছিল, সেইসকলে আমাক এতিয়া সুৰক্ষা দিব নোৱাৰে। গতিকে এনে পৰিস্থিতিত দলত থকাটো একেবাৰে অনুচিত। সেই হিচাপে পদত্যাগ কৰিলোঁ। ইফালে ৰাজেন গোহাঁইৰ পদত্যাগক লৈ যথেষ্ট সৰৱ হ'ল ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়া। ডিব্ৰুগড়ত ৰাজেন গোহাঁইৰ পদত্যাগ সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি দিলীপ শইকীয়াই কয়- দলৰ হকে কাম কৰি যাম বুলি ৰাজেন গোহাঁয়ে আমাক প্ৰতিশ্ৰুতি দিছিল। কিন্তু কি পৰিস্থিতিত এনে কৰিলে ভাবি আচৰিত হৈছোঁ। এসময়ত ৰাজেন গোহাঁয়ে নিজেই কৈছিল যে তেওঁ দেশৰ হৈ কাম কৰিব, আইমাতৃৰ হৈ কাম কৰিব। বিজেপিৰ দৰে এখন মজিয়াৰ পৰা আঁতৰি দেশমাতৃৰ হকে কাম কৰিবলৈ তেওঁ কি বেলেগ প্লেটফৰ্ম পাইছে আমি নাজানো। সভাপতি শইকীয়াই লগতে উল্লেখ কৰে- পদত্যাগ কৰাটো ৰাজেন গোহাঁইৰ সম্পূৰ্ণ ব্যক্তিগত সিদ্ধান্ত। তাত আমি মতামত নিদিওঁ। কিন্তু তেওঁ যদি দলৰ কিবা বেয়া দেখিছে সেয়া আমাক অৱগত কৰিব লাগিছিল। কাৰণ তেওঁ হৈছে দলৰ এজন জ্যেষ্ঠ ব্যক্তি। পৰিয়ালত যেনেকৈ জ্যেষ্ঠ কনিষ্ঠ থাকে, তেনেকৈ দলটোতো সৰু ডাঙৰ সকলোৰে মিলি থাকে। আমি সকলোৱে মিলি কাম কৰিব লাগিছিল। যদিহে তেওঁ আমাক বেয়া পাই আঁতৰি গৈছে, সেয়াও আমি সকলোৱে চাব লাগিব। দৰাচলতে এবছৰমানৰ পৰাই গোহাঁয়ে বিভিন্ন স্থানত মেল-মিটিং কৰি থকাৰ খবৰ পাইছিলোঁ। তেতিয়াই তেওঁক এইবিলাকৰ পৰা আঁতৰি আহিবলৈ কোৱা হৈছিল। কিন্তু তেওঁ দলত থাকিও যি কৰণীয়, সেয়া নকৰিলে। দলে তেওঁক বহু দিছে আৰু ৰাজেন গোহাঁয়েও দলক বহু দিছে। উল্লেখ্য যে ৰাজেন গোহাঁইয়ে ১৯৯১ চনত বিজেপিত যোগদান কৰি ১৯৯৯, ২০০৪, ২০০৯ আৰু ২০১৪ত নগাঁও সমষ্টিৰ পৰা সাংসদৰূপে প্ৰতিনিধিত্ব কৰিছিল । অসম বিজেপিৰ সভাপতিৰূপে একাধিক কাৰ্যকাল কাৰ্যনিৰ্বাহ কৰি ৰাজেন গোঁহায়ে মুঠ চাৰিবাৰকৈ অসমৰ নগাঁও লোকসভা সমষ্টিৰ পৰা সাংসদৰূপে কাৰ্য নিৰ্বাচিত হৈছিল। ১৯৯৯ চনৰ পৰা ২০১৯লৈ এই কালছোৱাত তেওঁ নগাঁও লোকসভা সমষ্টিৰ পৰা সাংসদৰূপে কাৰ্যনিৰ্বাহ কৰা গোঁহায়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰথমটো কাৰ্যকালতৰে'ল বিভাগৰ ৰাজ্যমন্ত্ৰী হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল ।

# বিটিচিৰ নৱনিৰ্বাচিত ৪০ গৰাকী

দাস বড়োই শপতগ্ৰহণ অনুষ্ঠানত উপস্থিত থকা দেখা নগ'ল। বিটিচিৰ প্ৰটেম' অধ্যক্ষ ত্ৰিদিপ দৈমাৰীয়ে হাগ্ৰামা মহিলাৰী, ৰিহণ দৈমাৰী, ৰবিৰাম নাৰ্জাৰী, দাওবাইছা বড়ো, লৌমশ্ৰাও দৈমাৰী, ধীৰাজ বৰগয়াৰী, দিগন্ত বৰুৱাসহ বিপিএফ, ইউপিপিএল আৰু বিজেপিৰ ৭ গৰাকী পাৰিষদক শপতবাক্য পাঠ কৰোৱায়। ইয়াৰে ১৫জনে বড়ো ভাষাত, ১৫জনে ইংৰাজী ভাষাত আৰু ৭জন পাৰিষদে অসমীয়া ভাষাত শপতবাক্য পাঠ কৰে। ইপিনে শপতগ্ৰহণ অনুষ্ঠানৰ পিছতে বিটিচি বিধান পৰিষদৰ অধ্যক্ষ হিচাপে ত্ৰিদীপ দৈমাৰীক সৰ্বসন্মতি ক্ৰমে মনোনীত কৰা হয়। বিটিচিৰ হৰিশিঙা সমষ্টিৰ পৰা জয়লাভ কৰা ত্ৰিদীপ দৈমাৰী বিপিএফৰ বিগত কাৰ্যকালত ২০১৫ চনৰ পৰা ২০২০ চনলৈ বিটিচি বিধান পৰিষদৰ অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। আনহাতে উপাধ্যক্ষ পৰৱৰ্তী পৰ্যায়ত বাছনি কৰা হ'ব বুলি জানিব পৰা গৈছে। ইপিনে বিটিচিৰ প্ৰথম অধিৰেশনৰ পিছতে বিটিচিৰ মুখ্য কাৰ্যবাহী হাগ্ৰামা মহিলাৰীয়ে উপ-মুখ্য কাৰ্যবাহী ৰিহণ দৈমাৰী আৰু বিপিএফৰ সকলো পাৰিষদকলৈ বিটিচিৰ মুখ্য সচিব আৰু বিষয়াসকলৰ স'তে ৰুদ্ধদ্বাৰ বৈঠকত বহে। উক্ত বৈঠকৰ পিছতে আয়োজন হোৱা এক সংবাদ মেলত হাগ্ৰামা মহিলাৰীৰ উদ্ধৃতি দি বিপিএফৰ পাৰিষদ দেৰহাছাৎ বসুমতাৰীয়ে কয় যে ইউপিপিএল চৰকাৰৰ দিনত গঠন হোৱা সকলো ব'ৰ্ড, নিকায়, নিগমসমূহ ভংগ কৰা হৈছে। শীঘ্ৰেই ভিচিডিচি, টিচিএলচিচি, টাউন কমিটী, উন্নয়ন প্ৰাধিকৰণসমূহ নতুনকৈ গঠন কৰা হ'ব আৰু নতুনকৈ গঠন নোহোৱাপৰ্যন্ত কাৰ্যবাহী বিষয়াই দায়িত্বত থাকিব বুলি সদৰী কৰে।

# সদৌ অসম গোসাঁই সমাজৰ

জুবিনদাক হত্যা কৰা নৰপিশাচৰূপী শ্ৰীশ্ৰীবৰখাটপাৰ সত্ৰৰ শ্যামকানু মহন্ত আৰু তেওঁৰ পৰিয়ালবৰ্গক সদৌ অসম গোসাঁই সমাজৰ পৰা বৰ্জন কৰা হ'ল। তেওঁলোকৰ জ্যেষ্ঠ ভাতৃ ভাস্কৰজ্যোতি মহন্তৰ জীয়ৰী সৃজনী ভাস্ব মহন্তৰ লগতে পৰিয়ালক গোসাঁই সমাজৰ পৰা বহিস্কাৰ কৰা হৈছে। কিয়নো সৃজনীয়ে বিহুৰ সময়ত যিটো ভিডিঅ' ৰিলিজ কৰিছিল, সেইটো কোনো কাৰণতে গ্ৰহণযোগ্য নহয়। সেইবাবে আমি থানাত এজাহাৰ দিছিলোঁ যদিও আজিলৈকে পৰি থাকিল। ধৃষ্টতামূলক এনে কাৰ্যত আমি সদৌ অসম গোসাঁই সমাজে গভীৰ উদ্বেগ প্ৰকাশ কৰিছোঁ আৰু তীব্ৰ গৰিহণা দিছোঁ। শ্ৰী শ্ৰীবৰখাটপাৰ সত্ৰৰ এই পৰিয়ালটোক আনুষ্ঠানিকভাৱে গোসাঁই সমাজে বৰ্জন কৰিছোঁ। আগন্তুক দিনত তেওঁলোকৰ লগত গোসাঁই সমাজৰ কোনো সম্পৰ্ক নাই। উল্লেখ্য যে যোৱা ৬ অক্টোবৰত অনুষ্ঠিত সদৌ অসম গোসাঁই সমাজৰ এক জৰুৰী সভাত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। উক্ত সভাত লোৱা সিদ্ধান্ত মৰ্মে শ্যামকানু মহন্তৰ বিৰুদ্ধে সদৌ অসম গোসাঁই সমাজে সেইদিনাই দিছপুৰ থানাত এক এজাহাৰ দাখিল কৰিছিল। সদৌ অসম গোসাঁই সমাজে জুবিন গাৰ্গৰ মৃত্যুৰ উচিত তদন্তৰ লগতে দোষীক দৃষ্টান্তমূলক শাস্তি দিয়াৰ দাবী জনায়। লগতে এনে ঘটনাক তীব্ৰ গৰিহণা দিয়ে।

# তামাৰহাট থানাৰ আৰক্ষী

নিশা প্ৰায় ১১:৪০ বজাত তেওঁক কাৰাগাৰলৈ লৈ যোৱা হয়। ঘটনা অনুসৰি, যোৱা ২৮ ছেপ্টেম্বৰৰ দিনা তামাৰহাট থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া কপিল বৰাৰ নেতৃত্বত আৰক্ষীৰ দল এটাই স্থানীয় ঠিকাদাৰ হাবিবুল শ্বেখৰ সৈতে জড়িত মজুৰি অনাদায়ৰ বিবাদৰ গোচৰত মনোহৰ ৰয়ৰ লগতে আন দুজন ব্যক্তি ৰাকেশ ৰয় আৰু গণেশ ৰয়ক আটক কৰা হৈছিল। তাৰপিছতেই ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া কপিল বৰাৰ নেতৃত্বৰ আৰক্ষীৰ দলটোৱে লোককেইজনক থানাখনৰ পিছফালে মাতি নি অমানৱীয়ভাৱে প্ৰহাৰ কৰে। উক্ত মাৰপিটৰ ফলত তিনিজন যুৱকৰ ভিতৰত মনোহৰী ৰায় নামৰ যুৱকজন গুৰুতৰভাৱে অসুস্থ হৈ পৰে। পিছত গুৰুতৰভাৱে অসুস্থ হৈ পৰা মনোহৰী ৰায়ক ১ অক্টোবৰত তামাৰহাট প্ৰাথমিক চিকিৎসালয়লৈ নিয়া হয় যদিও পথতে মনোহৰী ৰায়ৰ মৃত্যু হয়। ঘটনাটো সংঘটিত হোৱাৰ পিছতে তামাৰহাট থানাৰ আৰক্ষী বিষয়া কপিল বৰাক জিলা প্ৰশাসনে চাকৰিৰ পৰা নিলম্বন কৰিছিল।

# জুবিন গাৰ্গৰ মৃত্যুৰ

দিয়ে। উল্লেখ্য যে জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনাৰ সৈতে জড়িত থকাৰ অভিযোগত এছআইটিয়ে ছিংগাপুৰত নৰ্থ-ইষ্ট ফেষ্টিভেল পতা মুখ্য উদ্যোক্তা শ্যামকানু মহন্ত, জুবিন গাৰ্গৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মা, জুবিন গাৰ্গৰ সহযোগী শেখৰজ্যোতি গোস্বামী আৰু অমৃতপ্ৰভা মহন্তক ইতিমধ্যে গ্ৰেপ্তাৰ কৰিছে। সম্বন্ধীয় ভাতৃ সন্দীপন গাৰ্গক এছআইটিয়ে গ্ৰেপ্তাৰ কৰাৰ লগে লগে শিল্পীগৰাকীৰ ৰহস্যজনক মৃত্যুৰ লগত জড়িতসকলৰ গ্ৰেপ্তাৰৰ সংখ্যা ৫জনলৈ বৃদ্ধি পালে। উল্লেখ্য যে আৰক্ষী বিষয়া তথা - জুবিনৰ সম্পৰ্কীয় ভাতৃ সন্দীপনক এছআইটিৰ জিম্মাত ১৪ দিনৰ কাৰণে বিচাৰিছিল যদিও ন্যায়ালয়ে তেওঁক ৭ দিনৰ কাৰণেহে এছআইটিৰ জিম্মাত দিয়ে। সন্দীপন গাৰ্গক গ্ৰেপ্তাৰ সন্দৰ্ভত এছআইটিৰ মুৰব্বী তথা বিশেষ সঞ্চালকপ্ৰধান মুন্না প্ৰসাদ গুপ্তাই সংবাদ মাধ্যমৰ আগত কয়- 'আজি সন্দীপন গাৰ্গক গ্ৰেপ্তাৰ কৰা হৈছে। আদালতত তেওঁক হাজিৰ কৰি জিম্মাত লৈ জেৰা চলোৱা হ'ব। ছিংগাপুৰৰ প্ৰবাসী অসমীয়াসকললৈ চমন পঠিওৱা হৈছে। তাৰ পিছত প্ৰবাসী অসমীয়া ৰূপকমল কলিতা আহিছে। তেওঁক সোধা-পোছা কৰি থকা হৈছে।' সংবাদ মাধ্যমৰ আগত আৰক্ষী বিষয়াগৰাকীয়ে ইয়াকো কয় যে এছআইটিৰ ওচৰত এতিয়াও হাজিৰ নোহোৱা ছিংগাপুৰত থকা প্ৰবাসী অসমীয়াসকললৈ পুনৰ চমন জাৰি কৰা হ'ব। তেওঁলোকৰ সৈতে বিশেষ প্ৰক্ৰিয়াৰ মাজেৰে যোগাযোগ চলি আছে। তেওঁলোকে আমাক তদন্তত সহযোগ কৰিব বুলি আশা প্ৰকাশ কৰিছোঁ। আনহাতে গ্ৰেপ্তাৰ হোৱাৰ পাছতে জুবিন গাৰ্গৰ সম্বন্ধীয় ভাতৃ তথা বকো সমজিলাৰ উপ-আৰক্ষী অধীক্ষক হিচাপে কৰ্মৰত সন্দীপন গাৰ্গক চাকৰিৰ পৰা নিলম্বন কৰা হৈছে। ৰাজ্যপালৰ অনুমোদন ক্ৰমে গৃহ বিভাগৰ অতিৰিক্ত মুখ্য সচিবগৰাকীয়ে সন্দীপন গাৰ্গক নিলম্বন কৰাৰ নিৰ্দেশ জাৰি কৰে।

# অখিল গগৈৰ বিৰুদ্ধে

কৰে যে ছিংগাপুৰৰ নৰ্থ-ইষ্ট ফেষ্টিভেলৰ সৈতে গ'ল্ডেন থ্ৰেডছৰ দূৰ-দূৰণিলৈকে কোনো সম্পৰ্ক নাই। নৰ্থ-ইষ্ট ফেষ্টিভেলৰ ফেশ্বন শ্ব'ত অংশগ্ৰহণো কৰা নাছিল গ'ল্ডেন থ্ৰেডছে। অধিবক্তা কিশোৰ দত্তই ইয়াকো কয় যে অখিল গগৈৰ বিৰুদ্ধে ৰুজু কৰা এই মানহানি গোচৰত প্ৰতিবিম্ব লাইভৰ সঞ্চালক তফিকুদ্দিন আহমেদকো জড়িত কৰা হৈছে। অহা ৩০ অক্টোবৰত এই গোচৰৰ শুনানি হ'ব। আনহাতে অখিল গগৈক প্ৰত্যাহ্বান জনাই সামাজিক মাধ্যমত ৰিণিকি ভূঞা শৰ্মাই লিখিছে- মোৰ সংস্থা পিইপিএলৰ জৰিয়তে অখিল গগৈক ছিংগাপুৰলৈ যাবলৈ প্ৰথম শ্ৰেণীৰ টিকট, পঞ্চতাৰকা হোটেলত থকাৰ ব্যৱস্থা আৰু তেওঁ দাবী কৰা অভিযোগৰ প্ৰমাণ সংগ্ৰহৰ বাবে খৰচ বহন কৰি সহায় কৰিব বিচাৰিছোঁ। যাতে তেওঁ নিজৰ তথ্য বিচাৰি উলিওৱাৰ অভিযান সম্পূৰ্ণ কৰাৰ পিছত আমি ৩০ অক্টোবৰত আদালতত প্ৰথম শুনানিৰ বাবে লগ হ'ম। উল্লেখ্য যে ৰিণিকি ভূঞা শৰ্মাৰ অধিবক্তা কিশোৰ দত্তই আজি ইয়াকো উল্লেখ কৰিছে যে সামাজিক মাধ্যমত যিসকল লোকে তেওঁৰ ক্লায়েন্টৰ বিৰুদ্ধে আপত্তিজনক মন্তব্য কৰিছে, তেওঁলোকৰ বিৰুদ্ধেও গোচৰ তৰা হ'ব। ইয়াৰ অংশ হিচাপে অসম জাতীয় পৰিষদৰ নেতা লুৰিণজ্যোতি গগৈ আৰু চিত্তৰঞ্জন বসুমতাৰীৰ বিৰুদ্ধে গোচৰ তৰা হ'ব।

# মাজুলী মহাবিদ্যালয়ত

আসক্তিয়ে সমাজখনক অস্থিৰ কৰি তুলিছে বুলি অভিহিত কৰে। ১৯৮৫ চনত ভাৰতবৰ্ষত প্ৰৱৰ্তিত হোৱা নিচাযুক্ত দ্ৰব্যৰ বিৰুদ্ধে প্ৰণয়ন হোৱা আইনৰ বিষয়ে ব্যাখ্যা কৰি বিগত বৰ্ষসমূহত ড্ৰাগছজনিত অপৰাধ কিদৰে বৃদ্ধি পাইছে তাৰ এক পৰিসংখ্যা সকলোৰে আগত দাঙি ধৰে। অনুষ্ঠানত বক্তব্য আগবঢ়াই অসম মেঘালয় ৰাজ্যিক সমন্বয় সংস্থাৰ মুখ্য কাৰ্যবাহী বিষয়া ডঃ সন্দীপ হাঞ্চেই ড্ৰাগছ প্ৰতিৰোধৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলক বিশেষ প্ৰশিক্ষণ দিয়াৰ লগতে সকলো ছাত্ৰ-ছাত্ৰীক এই মহাব্যাধিৰ পৰা আঁতৰি থকাৰ পৰামৰ্শ আগবঢ়ায়। বঙালমৰাৰ জাগৃতি সন্মিলিত উন্নয়ন কেন্দ্ৰৰ মণিকা শইকীয়াই আঁত ধৰা অনুষ্ঠানত মাজুলী জিলা সমাজ কল্যাণ বিভাগৰ বিষয়া কণিকা পাইট, সাংবাদিক ৰাজীৱ পাটিৰ, জাগৃতি সন্মিলিত উন্নয়ন কেন্দ্ৰৰ সম্পাদক গৌতম কুমাৰ শইকীয়াই আৰু মহাবিদ্যালয়ৰ ভূগোল বিভাগৰ সহকাৰী অধ্যাপক আচাৰ্য মোহন দাসে বক্তব্যৰ যোগেদি ছাত্ৰ-ছাত্ৰীসকলক সজাগ কৰে। অনুষ্ঠানত মহাবিদ্যালয়ৰ শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, শিক্ষক গোটৰ সভাপতি ডঃ ব্ৰজেন চন্দ্ৰ নেওগ, সম্পাদক ডঃ অনুপ কুমাৰ দলে, অভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সমন্বয়ক ডঃ দেৱজ্যোতি ভট্টাচাৰ্য, জ্যেষ্ঠ অধ্যাপক ডঃ ৰূপজ্যোতি বৰা, সুৰেন চন্দ্ৰ দাস, বিজয় টিমুং, সুদৰ্শনা ফুকন প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকলৰ লগতে দ্বিশতাধিক শিক্ষাৰ্থী উপস্থিত থাকি সমল ব্যক্তিসকলৰ সৈতে মত-বিনিময় কৰাৰ লগতে ড্ৰাগছৰ বিভীষিকাৰ বিষয়ে সকলোকে সজাগ কৰাৰ সংকল্প গ্ৰহণ কৰে।

# ঘোষণা হ'ল এডিআৰইৰ

গৰাকীয়ে প্ৰকাশ কৰা অনুসৰি ৫০টা বিভাগৰ ভিতৰত সৰ্বাধিক খালী পদ আছে কৃষি বিভাগত। বিভাগটোত খালী পদৰ সংখ্যা ১, ৮৫০টা। আনহাতে শিক্ষা বিভাগত ৫৮১টা, জিএডিত ৫৬৯টা, গৃহ বিভাগত ৩৫৪টা, জলসিঞ্চন বিভাগত আছে ৩০৯টা পদ, বিত্ত বিভাগত ২৪২টা পদ। মন কৰিবলগীয়া যে বিজেপি নেতৃত্বাধীন ৰাজ্য চৰকাৰখনে এক লাখ যুৱক-যুৱতীক নিযুক্তি প্ৰদানৰ বাবে দিয়া প্ৰতিশ্ৰুতি অনুসৰিয়েই দ্বিতীয়বাৰৰ বাবে অনুষ্ঠিত এডিআৰই পৰীক্ষাত পুনৰ মেধাৰ ভিত্তিত বাছনি লাভকৰিলে ৰাজ্যৰ যুৱক-যুৱতীসকলে। এডিআৰই পৰীক্ষাত উত্তীৰ্ণ হোৱা যুৱক-যুৱতীসকলক চলিত মাহতে নিযুক্তি দিয়াৰ সম্ভাৱনা আছে। ইফালে নিযুক্তি ব'ৰ্ডৰ অধ্যক্ষ অজয় তিৱাৰীয়ে প্ৰকাশ কৰা মতে, আজি বাছনি তালিকাত উঠা তৃতীয়বৰ্গৰ যুৱক-যুৱতীসকলৰ নাম অচিৰেই ঘোষণা কৰিবলগীয়া চতুৰ্থবৰ্গৰ পৰীক্ষাৰ ফলাফলত বাছনিত নুঠিব। অধ্যক্ষজনে জানিবলৈ দিয়া মতে, যদি কোনো প্ৰাৰ্থীয়ে তৃতীয়বৰ্গ আৰু চতুৰ্থবৰ্গৰ দুয়োটা পৰীক্ষাতে উত্তীৰ্ণ হৈছে, তেওঁক তৃতীয়বৰ্গৰ বাছনি অন্তৰ্ভুক্ত কৰা হ'ব। ইফালে এডিআৰই পৰীক্ষাত জালিয়াতিৰ আশ্ৰয় লোৱা তথা অসৎ উপায় অৱলম্বন কৰি ইতিপূৰ্বে গ্ৰেপ্তাৰ হোৱা প্ৰাৰ্থীৰ বিৰুদ্ধে প্ৰতি জিলাৰ আদালতত অভিযোগনামা দাখিল কৰা বুলিও অধ্যক্ষ তিৱাৰীয়ে জানিবলৈ দিয়ে। এডিআৰইৰ তৃতীয়বৰ্গৰ ফলাফল ঘোষণা কৰাৰ লগতে ৰাজ্যিক পৰ্যায়ত আৰক্ষী নিযুক্তি ব'ৰ্ডে ঘোষণা কৰে আৰক্ষী নিযুক্তিৰ প্ৰথম পৰ্যায়ৰ ফলাফল। এই ফলাফল ঘোষণা কৰি অজয় তিৱাৰীয়ে প্ৰকাশ কৰা অনুসৰি গুৱাহাটী উচ্চ ন্যায়ালয়ত চলি থকা গোচৰৰ পৰিপ্ৰেক্ষিতত ৬২৫টা পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হৈছে। ইয়াৰে উপ-পৰিদৰ্শক আৰু সহকাৰী উপ-নিয়ন্ত্ৰকৰ ২০৩টা পদ, কনিষ্টবল (এবি) কমাণ্ডো বেটেলিয়নৰ ১৬৪টা পদ, অসম আৰু সহযোগী সংগঠনৰ চতুৰ্থবৰ্গৰ কৰ্মচাৰীৰ ২৫৮টা পদৰ বাবে ফলাফল ঘোষণা কৰা হয়।

# উচ্চতম ন্যায়ালৰৰ পৰা

অধিবক্তা ৰাজ কমলে আৰ্জি জনোৱাৰ কথা নিশ্চিত কৰিছে আহমেদে। উল্লেখ্য যে নৰ্থ-ইষ্ট ফেষ্টিভেলত অংশগ্ৰহণ কৰিবলৈ গৈ যোৱা ১৯ ছেপ্টেম্বৰত ছিংগাপুৰত ৰহস্যজনক মৃত্যুক সাৱটি লৈছিল অসমীয়াৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গে। সেই ঘটনাৰ পিছৰে পৰা ছিংগাপুৰতে আত্মগোপন কৰি থাকে নৰ্থ-ইষ্ট ফেষ্টিভেলৰ মূল উদ্যোক্তা সংস্কৃতিৰ দালালৰূপে অসমৰ জনমানসত চিহ্নিত হোৱা মহন্তই। বিদেশত আত্মগোপন কৰি থাকিয়েই জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ পৰা সকাহ পোৱাৰ আইনী সুৰুঙা বিচাৰি মহন্তই অধিবক্তা ৰাজ কমলৰ জৰিয়তে যোৱা ৩০ ছেপ্টেম্বৰত উচ্চতম ন্যায়ালয়ত ভাৰতীয় সংবিধানৰ ১৪, ১৫, ১৬, ১৯, ২০, ২১ আৰু ৩২নং অনুচ্ছেদৰ অধীনত এখন লেখ আবেদন দাখিল কৰিছিল। লক্ষণীয়ভাৱে লেখ আবেদনখন দাখিল হোৱাৰ পিছতে তেওঁ সেইদিনা মাজনিশা উপস্থিত হয় নতুন দিল্লীৰ ইন্দিৰা গান্ধী আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত। তাতেই মহন্তক অসম আৰক্ষীৰ এছআইটিয়ে গ্ৰেপ্তাৰ কৰে। সম্প্ৰতি মহন্ত এছআইটিৰ জিম্মাত আছে।

# ৰাজ্যত উদ্বেগজনকভাবে হিন্দুৰ

বাস্তৱৰ প্ৰতিফলন হৈছে যে আমাৰ জনসংখ্যাৰ ৩৮%তকৈ অধিক মুছলমান। মাননীয় কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্ৰীঅমিত শ্বাহ ডাঙৰীয়াৰ দ্বাৰা জনগাঁথনি মিছন সম্পৰ্কীয় এখন উচ্চস্তৰীয় সমিতিৰ ঘোষণা কৰা হৈছে। ইয়াৰ জৰিয়তে এই ৰাষ্ট্ৰীয় প্ৰত্যাহ্বানৰ বিজ্ঞানসন্মতভাৱে অধ্যয়ন আৰু মোকাবিলা কৰাৰ বাবে নীতিগত পদক্ষেপ গ্ৰহণ কৰা হ'ব। এয়া নিশ্চিতভাৱে এক ঐতিহাসিক আৰু অতি প্ৰয়োজনীয় পদক্ষেপ। আনহাতে মুছলমান জনসংখ্যাৰ হাৰক লৈ মুখ্যমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমত এক উদ্বেগজনক তথ্যও দাঙি ধৰে। এই তথ্য অনুসৰি অসমত বিগত ৫০ বছৰত মুছলমান জনসংখ্যা ১৪ শতাংশ বৃদ্ধি হোৱাৰ বিপৰীতে হিন্দু জনসংখ্যা ১৫ শতাংশলৈ হ্ৰাস পাইছে। মুখ্যমন্ত্ৰী ডº শৰ্মাই দাঙি ধৰা তথ্য অনুসৰি অসমত ১৯৭১ চনত হিন্দু জনসংখ্যা আছিল ৭২.৫১ শতাংশ আৰু মুছলমান জনসংখ্যা আছিল ২৪.৫৬ শতাংশ। ১৯৯১ চনত হিন্দু জনসংখ্যা হ্ৰাস হৈ ৬৭.১৩ শতাংশ হয়গৈ। ইয়াৰ বিপৰীতে মুছলমান জনসংখ্যা ২৮.৪৮ শতাংশলৈ বৃদ্ধি পায়। হিন্দু জনসংখ্যাৰ এনে হ্ৰাস অব্যাহত থাকে ২০০১ চনতো। লোকপিয়লৰ ২০০১ চনৰ তথ্য অনুসৰি হিন্দুৰ জনসংখ্যা ৬৪.৮৯ শতাংশ হোৱাৰ বিপৰীতে ২০০১ চনত মুছলমান জনসংখ্যা ৩০.৯২ শতাংশলৈ বৃদ্ধি পায়। আনহাতে ২০১১ চনত হিন্দু জনসংখ্যা হ্ৰাস পাই ৬১.৪৬ শতাংশ হোৱাৰ বিপৰীতে মুছলমান জনসংখ্যা ৩৪.২২ শতাংশলৈ বৃদ্ধি পাইছে। বিগত ৪০টা বছৰত হিন্দু জনসংখ্যা হ্ৰাস হোৱা আৰু মুছলমান জনসংখ্যা বৃদ্ধি হোৱাৰ এই প্ৰৱণতাৰ প্ৰতি লক্ষ্য কৰিলে ২০২১ চনত হিন্দু জনসংখ্যা ৫৭ শতাংশলৈ হ্ৰাস হোৱাৰ বিপৰীতে মুছলমান জনসংখ্যা ৩৮ শতাংশলৈ বৃদ্ধি হোৱাৰ সম্ভাৱনা আছে। মন কৰিবলগীয়া যে শেহতীয়াকৈ মুখ্যমন্ত্ৰী ডº শৰ্মাই ৰাজ্যত খিলঞ্জীয়া জনগোষ্ঠীক সংখ্যালঘুত পৰিণত হোৱাৰ সম্ভাৱনাকো আঙুলিয়াই দিছিল। মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰা তথ্য অনুসৰি ২০১১ চনৰ লোকপিয়ল অনুসৰি মুছলমান জনসংখ্যা ৩৪ শতাংশলৈ বৃদ্ধি হোৱালৈ চাই কিছুবছৰ পিছত খিলঞ্জীয়া সংখ্যালঘুত পৰিণত হ'ব। অনুপ্ৰৱেশ আৰু মুছমান সম্প্ৰদায়ৰ মাজত অনিয়ন্ত্ৰিতভাৱে বৃদ্ধি হোৱা জনসংখ্যাই ২০৩১ আৰু ২০৪১ চনৰ ভিতৰত অসমত মুছলমান জনসংখ্যা আৰু খিলঞ্জীয়া লোকৰ জনসংখ্যা সমান সমান হোৱাৰ সম্ভাৱনা আছে। মন কৰিবলগীয়া যে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে স্বাধীনতাৰ ভাৰতত হোৱা লোকপিয়লৰ তথ্য দাঙি ধৰি ২০০১ চনৰ পৰা ২০১১ চনৰ ভিতৰত হিন্দু জনসংখ্যা বৃদ্ধিৰ হাৰ ১৬.৮ শতাংশ হোৱাৰ বিপৰীতে মুছলমান জনসংখ্যা ২৪.৬ শতাংশ হাৰত বৃদ্ধি পাইছে বুলি তথ্য প্ৰকাশ কৰিছে।

# জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত সন্দৰ্ভত

ৰাষ্ট্ৰ হোৱা বাবে ছিংগাপুৰত তদন্ত কৰাৰ ক্ষেত্ৰত এটা বিশেষ ব্যৱস্থা আছে। এখন দেশৰ আৰক্ষীয়ে বিদেশী ৰাষ্ট্ৰত নিজাববীয়াকৈ তদন্ত ইচ্ছা কৰিলেই কৰিব নোৱাৰে। এইক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় আইন অথবা চুক্তিৰ কথা উল্লেখ কৰি তেওঁ কয় যে ভাৰত-ছিংগাপুৰৰ মাজত মিউচুৱেল লিগেল এছিছটেন্টছ ট্ৰিটি, চমুকৈ এমএলএটি নামৰ এখন চুক্তি আছে। আমি সেইমতে কাম কৰিব লাগিব। এইক্ষেত্ৰত বিষয়টোৰ গভীৰতাৰ প্ৰতি লক্ষ্য ৰাখি তদন্তৰ বাবে প্ৰয়োজনীয় বিষয়বোৰ পত্ৰৰ আকাৰে কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ জৰিয়তে ছিংগাপুৰৰ চেনণ্ট্ৰেল ন'ডেল এজেঞ্চী এটৰ্নী জেনেৰেল অফিচ লৈ ইতিমধ্যে প্ৰেৰণ কৰা হৈছে। তদন্তৰ বাবে প্ৰয়োজনীয় ভিডিঅ' ফুটেজৰ পৰা আৰম্ভ কৰি সকলোখিনি তথ্য তেওঁলোকে আমাক যোগান ধৰিছে। নিজাববীয়াকৈ আমি ছিংগাপুৰ প্ৰশাসনৰ অনুমতি নোহোৱাকৈ তাত তদন্ত চলাব নোৱাৰোঁ। ইয়াৰ বাবে তেওঁলোকে আমাক ভিছা দিব লাগিব। অৱশ্যে যদিহে টুৰিষ্ট ভিছাৰ জৰিয়তে তালৈ গৈ মনে মনে তথ্য-প্ৰমাণ সংগ্ৰহ কৰিলেও ভাৰতৰ আদালতত সেইবোৰ গ্ৰহণযোগ্য নহ'ব। ছিংগাপুৰ আৰক্ষীৰ সহযোগতে যিখিনি তদন্ত চলাব লাগে আমি কৰিব পাৰিম। অৱশ্যে বৰ্তমানেও ছিংগাপুৰৰ ভাৰতীয় উচ্চায়ুক্তৰ জৰিয়তে এটৰ্নী জেনেৰেল অ'ফিচৰ সৈতে অসম আৰক্ষীয়ে যোগাযোগত আছে বুলি মন্তব্য কৰি গুপ্তাই কয় যে তেওঁলোকে যদি অনুমতি দিয়ে, আমি নিশ্চয়কৈ ছিংগাপুৰলৈকে যাম। আনহাতে অসম আৰক্ষীৰ চমনমৰ্মে এছআইটিৰ জেৰাত হাজিৰ হোৱা ছিংগাপুৰৰ প্ৰবাসী অসমীয়া ৰূপকমল কলিতাৰ পাছত আন ১০গৰাকী অভিযুক্তই অসমলৈ আহি নিজৰ ভাষ্য দিয়াৰ সলনি ভিডিঅ' কনফাৰেঞ্চৰ জৰিয়তে ভাষ্য দিয়াৰ বাবে দিয়া প্ৰস্তাৱ সন্দৰ্ভত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত গুপ্তাই পুনৰ কয় যে ভিডিঅ' ষ্টেটমেণ্ট নহয়, তেওঁলোকে ইয়ালৈ আহি নিজৰ ভাষ্য দিবই লাগিব। ৰূপকমল কলিতাই ভাষ্য প্ৰদান কৰাৰ পাছতে ইতিমধ্যে আন ১০জন অসমীয়াক চমন জাৰি কৰা হৈছে বুলি তেওঁ কয়। পূৰ্বতে ৮জনক ৬ অক্টোবৰৰ ভিতৰত এছআইটিৰ জেৰাত হাজিৰ হোৱাৰ নিৰ্দেশ দিয়াৰ পাছত শেহতীয়াকৈ আন তিনি প্ৰবাসী অসমীয়া ক্ৰমে ভাস্কৰজ্যোতি দত্ত, প্ৰতিম ভূঞা আৰু জিঅ' লাংচাট নাৰ্জাৰীক নতুনকৈ চমন দিয়া হৈছে। ৰূপকমল কলিতাৰ বাদে উপস্থিত নোহোৱা আন ৭জন অসমীয়াসহ মুঠ ১০জনক অতি শীঘ্ৰেই জেৰাত হাজিৰ হ'বলৈ এছআইটিয়ে কঠোৰ নিৰ্দেশ প্ৰদান কৰিছে। তেওঁ কয় যে অভিযুক্ত ১১জন লোকেই য়াটত আছিল। তেওঁলোকে যিয়েই নকওক কিয় এইবাৰ কিছু কঠোৰ হৈছে এছআইটি। হাজিৰ হোৱাৰ বাবে নতুন সময়সীমা তেওঁলোকক প্ৰদান কৰা হৈছে। কোনোধৰণৰ বিলম্ব নকৰাকৈ জাননীখন পোৱাৰ লগে লগে হাজিৰ হোৱাৰ কঠোৰ নিৰ্দেশ এছআইটিৰ তৰফৰ পৰা ছিংগাপুৰৰ প্ৰবাসী অসমীয়াকেইজনক দিয়া হৈছে। অৱশ্যে ইয়াৰ পাছতো যদিহে তেওঁলোকে এছআইটিৰ জেৰাত উপস্থিত নহয়, তেন্তে কিধৰণৰ ব্যৱস্থা লোৱা হ'ব বুলি সাংবাদিকে পুনৰ সোধাত গুপ্তাই কয় যে নিৰ্দিষ্ট সময়ৰ ভিতৰত তেওঁলোক হাজিৰ নহ'লে আইন অনুসৰি কঠোৰৰ পৰা কঠোৰতম ব্যৱস্থা লোৱা হ'ব। বিদেশী ৰাষ্ট্ৰত থকা কোনো লোকক চমন জাৰি কৰাৰ পাছতো হাজিৰ নহ'লে অনাৰ বাবে আইন অনুসৰি বহু ব্যৱস্থা আছে। তেওঁলোকে স্বইচ্ছাই নাহিলে উক্ত ব্যৱস্থাসমূহ গ্ৰহণ কৰিবলৈ অসম আৰক্ষী বাধ্য হ'ব।

# ঝাৰখণ্ডত আইইডি বিস্ফোৰণত

কোনোকালে নভবা খবৰটো অহাৰ পিছত কান্দোনত ভাগি পৰিছে মাতৃ, পত্নী, সন্তানৰ লগতে সমগ্ৰ পৰিয়াল। শ্বহীদ বীৰগৰাকীৰ বিয়োগৰ খবৰটোত তেওঁৰ আপোন গাঁওখনৰ উপৰি সমগ্ৰ কামপুৰতে শোকৰ ছাঁ পৰিছে। আনহাতে শনিবাৰে শ্বহীদ মহেন্দ্ৰ লস্কৰক কাঁচীৰ চি আৰ পি এফ শিবিৰত শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। ঝাৰখণ্ডৰ ৰাজ্যপাল সন্তোষ গংগৱাৰ, কেন্দ্ৰীয় প্ৰতিৰক্ষা ৰাজ্যিক মন্ত্ৰী সঞ্জয় শ্বেঠ, ঝাৰখণ্ডৰ মুখ্য সচিব, আই জি চি আৰ পি এফৰ ডি জি পিকে ধৰি কেইবাগৰাকীও বিষয়াই শ্বহীদ মহেন্দ্ৰ লস্কৰক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে ।


# ENGLISH NEWS SECTION

## World para gold-winner Simran's guide tests positive for doping




RB News: World Para Athletics Championships gold medallist Simran Sharma is likely to lose her medals after her guide, Umar Saifi, was provisionally suspended by NADA for a failed dope test, PTI reported. The 20-year-old tested positive for Drostanolone, a banned anabolic steroid that boosts muscle mass and strength. Simran won a gold and a silver at the recently-concluded event in Delhi.

## Punjabi singer Gurmeet Maan passes away



RB News; Punjabi singer Gurmeet Maan, known for his folk songs, passed away, reports said on Saturday. He also worked with the Punjab Police. He was known for singing songs that had an earthy charm, reflecting the spirit, struggles and traditions of Punjab. His collaboration with another singer, Preet Payal, also earned him widespread recognition.

## Argentina secures 1-0 win over Venezuela



RB News: Argentina secured a 1-0 win over Venezuela in a friendly at Miami's Hard Rock Stadium despite Lionel Messi's absence. Giovani Lo Celso scored the only goal after a clever buildup involving Julian Alvarez and Lautaro Martinez. The world champions will next face Puerto Rico in Fort Lauderdale on Tuesday.

## Namibia defeat South Africa in a T20I



RB News; Namibia have created history by defeating South Africa in a men's T20I match in Windhoek on Saturday. It is South Africa's second defeat against an Associate nation in T20I cricket. Namibia restricted South Africa to 134/8 and chased down the target on the last ball of the match. It was the first-ever men's international match between the two African nations.

## Dawood Ibrahim's gang demands 5 crore ransom from Rinku Singh



RB News: Dawood Ibrahim's D-Company sent three ransom demands to cricketer Rinku Singh between February and April 2025, seeking 5 crore, Mumbai Crime Branch said. The messages were sent to Rinku's promotional team, it added. The agency also revealed that late Baba Siddique's son Zeeshan Siddique received a 10 crore threat in April after which two accused were arrested from the Caribbean.

## Rashid second fastest spinner to 200 ODI scalps




RB News: Rashid Khan took over legendary Australian spinner Shane Warne to become the second-fastest spinner in ODIs to reach the 200-wicket milestone. The Afghan reached the landmark in his 115th game, 10 matches earlier than Warne. Pakistan's Saqlain Mushtaq is the fastest spinner (104 matches) and second-fastest bowler ever after Aussie Mitchell Starc (102) to reach the 200-wicket mark.

## Peerless Hospital saves young woman with Ruptured Pulmonary Hydatid Cyst through timely life-saving surgery

Guwahati;RB News: Peerless Hospital, one of Guwahati's leading super-specialty healthcare institutions, successfully performed a life-saving surgery on a 28-year-old woman suffering from a ruptured pulmonary hydatid cyst complicated by anaphylactic shock — a rare and potentially fatal condition. The case was managed by Dr. Asif Iqbal Hussain (Senior Consultant, Internal Medicine), Dr. Jyoti Prasad Kalita (Consultant, CTVS Surgeon), and Dr. Vandana Sinha (Senior Consultant, Critical Care) at Peerless Hospital Guwahati. The patient arrived at the hospital on July 1, 2025, with fever, chills, breathing difficulty, and cough with expectoration of profuse liquid material for one day. On admission, she was in a state of shock with hypotension, tachycardia, and respiratory distress, though she maintained oxygen saturation with nasal oxygen support. Immediate ICU management was initiated with steroids, antibiotics, intravenous fluids, and mild inotropic support.

Investigations revealed raised total count and CRP levels, and an ultrasound of the abdomen showed hepatosplenomegaly (enlarged liver and spleen) with cystic mass lesions in the liver suggestive of large hydatid cysts. A CT scan of the thorax further revealed an 8.5 x 9 cm thick-walled cavitary lesion with air-fluid levels in the left posterior basal segment, along with mild pleural effusion and multiple cystic lesions in the liver. The patient had a known history of multiple pulmonary and hepatic hydatid cysts and had been on long-term oral Albendazole therapy for two months. After initial stabilization, she underwent excision and marsupialisation of the ruptured hydatid cyst on July 3, 2025. Her postoperative recovery was uneventful, and she was discharged in stable condition on July 6, 2025, with oral Albendazole therapy for continued management. Speaking on the success of this case, Dr. Gautam Das, CEO of Peerless Hospital Guwahati, said, "This case is a testament to the skill, dedication, and teamwork of our clinicians who work tirelessly to deliver the best possible care. At Peerless, our focus is on providing affordable, high-quality healthcare to the community — ensuring that patients receive world-class treatment close to home. Every successful recovery strengthens our commitment to making advanced medical care accessible to all."


# বকুল ফুলৰ দৰে উপন্যাস খনৰ অৰ্ন্তনিহিত অনুভৱ

যেনেকৈ নিৰ্মল আৰু অসীমৰ বাবে এজন আদৰ্শ ব্যক্তি ঠিক তেনেকৈ মোৰ বাবে এজন আপুনি আদৰ্শ প্ৰেৰণা মূলক ব্যক্তি । ব্যক্তিগত ভাৱেও যদি চাও আপুনি সঁচাকৈ এজন ভাল ব্যক্তি, মানৱতা বোধ, স্পষ্টবাদী সৰল মনৰ এজন ব্যক্তি আপুনি সেয়েহে কওঁ আপুনি আপোনাৰ ব্যক্তিত্ব সদায় নিজৰ লগতে ৰাখক....

আপোনাৰ কথা হয়টো ইয়াত এনেদৰে বিশ্লেষণ কৰি হয়টো শেষ নহব, আপোনাক ওচৰৰ পৰা লগ পালে হয়টো ভালদৰে বুজি উঠিব যে আপুনি সঁচাকৈ অনুভৱ মাষ্টৰ সত্তা টো জীয়াই ৰাখিছে। অনুভৱ মাষ্টৰে যেনেকৈ ছাত্ৰ ছাত্ৰীক আকৰ্ষণ কৰিব পাৰিছিল, শ্ৰেণীত প্ৰত্যেক বাৰে ফেইল কৰা সিদ্ধাৰ্থ যেনেকৈ উৎসাহিত কৰি কৈছিলঃ শ্ৰেণীটোত তুমিয়ে আছা একমাত্ৰ সিদ্ধাৰ্থ, যিয়ে ইমান ধুনীয়াকৈ বাঁহী বজাব পাৰে।

উক্ত বাক্য শাৰীয়ে মোৰ সঁচাকৈ হৃদয় খন জোঁকাৰি পেলাইছিল । কিমান হৃদয়স্পৰ্শী হলে এজন শিক্ষকে পঢ়াত দুৰ্বল এজন ছাত্ৰকো অনুপ্ৰেৰণা দিব পাৰে। এই গুণ বোৰৰ ক্ষেত্ৰত আপুনি কোনো গুনেই ব্যতিক্ৰম নহয় অক্ষই জ্যোতি মহন্ত sir। ঠিক সেই অনুভৱ sir ৰ দৰে আপুনিও এজন হৃদয়স্পৰ্শী শিক্ষক। এজন শিক্ষক প্ৰকৃতাৰ্থক কেনকুৱা কোৱা উচিত আপোনাৰ পৰাই বহু জনে উপলব্ধি কৰিব পাৰিব । আপোনাক ওচৰৰ পৰা লগ পালে সকলোৱে উপলব্ধি কৰিব পাৰিব, বুজিব পাৰিবযে আপুনি সঁচাকৈ এজন উপন্যাস জগতৰ এজন অনুভৱ মাষ্টৰ।

বহুতে জীৱনত এনেকুৱা অনুপ্ৰেৰণা, অনুকৰণ মূলক শিক্ষক জীৱনত বিচাৰি ফুৰে হয়টো কিছু কিছু লোকে এতিয়াও আদৰ্শ হিচাপে বিভিন্ন জন লোকক সন্মান, আদৰ কৰে। উপন্যাসখন পঢ়ি যে বাস্তৱ জীৱনৰ এগৰাকী অনুভৱ sir ক লগ পালো তাৰ বাবে নিজকে গৌৰান্বিত অনুভৱ কৰোঁ। সেয়েহে মনৰ পৰা এটা কথা কওঁ যে বকুল ফুলৰ দৰে উপন্যাসখনৰ উপস্থাপন কৰা অনুভৱ মাষ্টৰ সত্তা টি আমাৰ ইয়াতো আছে। আপুনি সদায় অনুভৱ sir সত্তা টি জীয়াই ৰাখক, আমাৰ বাবে সদায় আপুনি এজন অনুভৱৰ ব্যক্তি হৈ ৰওক আৰু ভালে থাকক আপুনি।




ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক ড° উদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ স্বৰ্গীয় মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ ড° উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286

# বৈচিত্ৰময় শৰৎ আৰু আজি অসমবাসীৰ অনুভৱ

**যোৱাখণ্ডৰ পৰা...**

**জুনুকা পাঠক, বৰপেটা**



Zubeen is superhuman. Our soul. জুবিনক হেৰুৱাই অসমবাসী দিশহাৰা হ'ল। তেওঁ সৰ্বহাৰাৰ বাবে মাত মতা নিৰ্ভীক জুবিনে সংস্কৃতিৰ পথাৰৰ বৰভেটি গঢ়ি সংহিতাৰ খ্যাতি অৰ্জন কৰা সত্বাটো, শৰীৰৰ নোমৰ কাষতে থকা শত্ৰুৰ ষড়যন্ত্ৰৰ বলি হ'ল। সংগীতৰ সংহিতা যুগ সৃষ্টি কৰি জুবিন চিৰ নিদ্ৰাত শুই পৰিল শৰতৰে স্বচ্ছ জল সমুদ্ৰত। কোনেও কাহানিও নিবিচৰা দুৰ্ঘটনা এটা ঘটিল। শূণ্য বুকুত শোকৰ জুই, চকুত পানীৰ প্ৰলয়, শান্তিৰে অসমবাসীয়ে শুব পৰা নাই, খাব পৰা নাই, অনুৰাগীৰ মুখৰ বৰণ শেঁতা হ'ল। পূজা বুলি ডিজে বক্সত জুবিনৰ ধৰ্মীয় গীতৰ দপদপনি নাথাকিলে সেই পূজা কেনেকৈ উপভোগ কৰিব পাৰি ? এইকেইদিন শৰত একদম নিশ্চুপ। জনতাৰ প্ৰাণত আনন্দ আনিব পৰা নাই। জুবিনৰ অবৰ্ত্তমানত শাৰদীয় উৎসৱ সেৰেঙা। অইন বাৰ বিজয়া দশমীত ল'ৰাবোৰক নিয়ন্ত্ৰণ কৰিও পুলিচ প্ৰশাসন ব্যৰ্থ হৈছিল। আজি তাৰ বিপৰীত ছবি এখনহে দেখিবলৈ পালো। সকলো অশান্ত। কেৱল জুবিনৰ দুখে সকলোকে মৌন কৰিছে। উৎসাহবিহীন কৰিছে। এয়া শৰতৰ উল্লেখযোগ্য আৰু ভাবিলগীয়া কথা। যাৰ গানে শিশুৰ পৰা বৃদ্ধলৈকে মনত আনন্দ দিয়ে জীয়াই থকাৰ শক্তি যোগায়, সেইজন নোহোৱাটো মানি লোৱা সহজ নহয়। দুৰ্বলীৰ ভয়, ধৰ্মীয় পৰম্পৰা, বলিয়ে কৰা নিৰ্বলীৰ ওপৰত অত্যাচাৰৰ বিৰুদ্ধে সৰব হোৱা, দমিনীত নীতি, আদি ৰাখিব পৰা জুবিনৰ আছিল ইচ্ছা শক্তিক জগাই তোলা প্ৰবল শক্তি (superhuman). তেওঁৰ জীৱন দৰ্শন, অসাধাৰণ অদ্বিতীয় (genius)। জীৱন মানে মহাশূণ্য। সত্য মাথোঁ মন, মগজু। জুবিন জাতিৰ মেৰুদণ্ড অসমৰ হিয়াৰ আমঠু। Zubeen is legend. কিংবদন্তি, স্পষ্টবাদী, ভগৱানক নমনা জুবিনে অস্তিত্বক নছাৎ কৰা নাই। সত্য, সুন্দৰ, মগজু হৃদয় এইবোৰে তেওঁৰ বাবে ভগৱান। জাতি, ধৰ্ম, বৰ্ণৰ উৰ্ধত তেওঁৰ জীৱনদৰ্শন। সাম্যবাদীত বিশ্বাসী। দুখীয়াৰ বিপদৰ সময়ত সহায়ৰ হাত বঢ়াই জুবিন আটাইতকৈ সুখী হৈছিল। আতুৰ জনক সংগ দিছিল। মানুহৰ অন্তৰত ঠাই লব পৰা আচৰিত শক্তি আছিল। আচৰিত ধৰণেৰে সকলোকে ভাতৃত্ববোধেৰে আপোন কৰি লৈছিল। বিশাল ব্যক্তিত্বৰ অধিকাৰী জুবিনৰ মৃত্যুত বিশ্ব স্তব্ধ হৈছে। জুবিন কোন জানিবৰ বাবে বিশ্বই গুগল চাৰ্জ কৰিছে। তেওঁৰ মৃত্যুয়ে বিশ্ব অভিলেখ সৃষ্টি কৰিলে যুগৰ সাক্ষী এই চলিত ক'লা শৰতত। বিশ্বৰ শৱ যাত্ৰাত মানুহৰ সমাগম জুবিনৰ চতুৰ্থ স্থানত।

"আকাশত দেখো শাৰদী
জোনাক নামিছে অলকানন্দা
পাহৰা গীতৰ সুৰে আহি
জগালেহি যৌৱন কিয় বাৰু।"

জুবিনে প্ৰাণ ঢালি গাইছিল। জুবিনে কোৱাৰ দৰে শৰতে আকাশত অলকানন্দাৰ স্মৃতিৰ হেৰুৱা সুৰ আনিব পাৰিবনে? এই শেষৰ আৰু আৰম্ভণী হবনে? শৰতে দিব নোৱাৰে আমাৰ হেৰুৱা সুখৰ সুখ। নকৈ আনিব নোৱাৰে যুগদ্ৰষ্টা। তথাকথিত সমাজৰ ধৰ্মান্ধৰ কু-প্ৰথা, বৰ্ণৰ বিভাজন, এইবোৰৰ বিৰুদ্ধে তেওঁৰ মুক্তিকামী কণ্ঠ সদায় উদগ্ৰ প্ৰত্যাহ্বানৰ বাবে সাজু আছিল। পৰম্পৰাক সলনি কৰাৰ যি তেওঁৰ আদৰ্শ, সেই কথাটোৰ বাবে বহুতৰ ৰোষত পৰিছিল। তথাপিও জুবিন তেওঁৰ জীৱন দৰ্শনৰ পৰা আতৰি অহা নাছিল। তেওঁৰ সৃষ্ট অবদান সমূহ জনতাৰ প্ৰাণে প্ৰাণে গুঞ্জৰিত হৈ থাকিব। "মায়াবিনী ৰাতিৰ বুকুত" এই গাণটোয়ে প্ৰতি শৰতে জুবিনৰ শেষ স্বৰ্গযাত্ৰা ৰথখনৰ কথা সুঁৱৰাই থাকিব। ভাবিলেই বুকু কঁপি উঠে, কান্দোন আহিব খোজে। ঈশ্বৰ, ব্ৰহ্মাণ্ডৰ অপাৰজেয় শক্তিৰ বিৰুদ্ধে চলা জুবিনৰ মহাৰণ, শক্তিশালী আছিল। এই শক্তিৰ মুখামুখি একমাত্ৰ ভগৱানৰে সম্ভৱ। সেয়ে our God zubeen. আচৰিত ধৰণে মায়াবিনী গাণটিয়ে জুবিন অনুৰক্তৰ আত্মাত ঐশ্বৰিক অনুভৱ আনি দিলে...অনুভূতি প্ৰাৰ্থনা। এই শৰতৰ মাটিতে জুবিন পঞ্চভূতত বিলীন হ'ল। সম্ভৱত এই শতিকাত জুবিনৰ দৰে আকাশলংঘী সম্ভাৱনা হয়টো পোৱাৰ সম্ভাৱনা কম। মাথোঁ প্ৰতি শৰতৰ প্ৰভাতী পুৱা মায়াবিনী প্ৰাৰ্থনাৰে জুবিনক সুঁৱৰিম ; প্ৰাৰ্থনা কৰিম।

দুৰ্ভগীয়া শৰতত সুবিমল বতাহত জুবিনৰ নতুন সুৰ অনুৰণন নহয়, জোনাকে ঢালিব নোৱাৰে সুশোভিত জোনাক। সৰি নপৰে বকুলৰ হাঁহি।

শৰৎ আকৌ আহিছে...
চাব পৰা নাই
আকাশলৈ
যন্ত্ৰণাৰ ডাৱৰ...
নৈৰ পাৰলৈ যাব পৰা নাই ;
কহুৱাই যদি পাহৰিছে ;
বতাহৰ চিনাকি সুৰ।
নাই একোকে---
মৌন গধুলিৰ গোন্ধ
জঁট-পট ধুসৰ জোনাকত
শেৱালী...
অসহ্যকৰ, হতাশা,
দুখৰ দুখ -----
ভাগি পৰিল শৰতৰ
গীত -------
দাপোন...!!

প্ৰকৃতিৰ ওপৰত ভূতৰ ওপৰত দানৱ পৰাৰ দৰে প্ৰদূষণৰ অত্যাচাৰ আছেই। গোলকীয় উত্তাপৰ কাৰণে জলবায়ু সলনি হৈছে, পৰিবেশৰ ওলোটা নাচোন হৈছে। বায়ুমণ্ডলত অধিক মাত্ৰা আদ্ৰতাৰ বাবে জোনৰ জেউতি নিস্প্ৰভ। ৰোগীয়া গছৰ ডাল পাত ঠন নধৰা হ'ল। সকলোতে প্ৰকৃতিৰ অৰাজকতা। শৰত আহিব খুজি উদণ্ড উত্তাপৰ কাৰণে আলেঙে আলেঙে কৰবাত থমকি ৰ'ব লগা হৈছে। কবি সাহিত্যিক সকলে কৈ যোৱা শাৰদীয় মেলাৰ প্ৰাচৰ্য্য আজি দেখিবলৈ নাই। আমি তাহানিতে গধুলিৰ চোতালত বহি প্ৰাণ আকুল হোৱা সেই মিঠা আমেজৰ শুকুলা ডাৱৰ নাই।

সৰিছে শেৱালী
শৰতৰ প্ৰতি পুৱা
টোপে টোপে নিয়ৰে দুবৰীৰ
বুকু
প্ৰভাতী সূৰুযৰ বালিছন্দাৰ
সাজোন।

এয়া আমাৰ বাবে এতিয়া দুৰ্লভ যেন লাগে, যেতিয়া শুই উঠি দুবৰীৰ ওপৰত শুষ্ক ধুলিয়ে লুতি খাই থকা দেখো। এইবোৰৰ বাবে আমিয়েই দায়ী। প্ৰকৃতিক আৰু মানৱ সম্পদক ৰক্ষণাবেক্ষণ দিয়াৰ ক্ষেত্ৰত আমি অপাৰগ। নিজেই নিজৰ ভৰিত কুঠাৰ মাৰিছো।

## নির্মলা শাৰদী



**ৰীতা বেজ মহন, চৰাইদেউ**

নীলিম আকাশৰ তলত
শুভ্ৰ শেৱালি জোপা
ডালভৰি ফুলিছে।
স্নিগ্ধ জোনাক নিশা
বিমুগ্ধ হিয়াখন উলাহত
উঠলি উঠিছে।
আহিনৰ আগমৰ লগে লগেই
শৰত আহিছে
নিয়ৰসিক্ত দুবৰিত
শেৱালীৰ পাহিবোৰ
উবুৰি খাই পৰিছে।
ধৰণীৰ বুকুলৈ শৰত অহাৰ পৰতেই
দূৰ্গা দেৱীৰ আগমনত
আকাশ বতাহ মুখৰিত হৈ পৰিছে।
মাদলৰ চেৱে চেৱে
নৃত্যৰতা মিনি হঁতে
জীৱনৰ স্পন্দন যেন
আকৌ ঘূৰাই পাইছে।
পূৰ্ণিমাৰ জোনবাইজনীয়ে
অকপতে শীতলতা ভৰা
স্নিগ্ধ পোহৰ বিলাইছে।
সন্ধিয়া পৰত পদুলি মূৰত থকা
বকুল জোপাত বহি অচিনা পখীটিয়ে
সুমধুৰ মাতেৰে প্ৰকৃতিৰাণীক
অনাবিল সুখৰ সুষমা যাঁচিছে।
বকুল বৃন্দাবনত পৰিণত হোৱা
পৃথিৱীৰ চুকে কোণে
কলীয়া কানাইৰ
সুৰীয়া বাঁহীৰ সুৰে
সকলোকে উন্মনা কৰি তুলিছে।
শাৰদীয় জোনাকত বহি
মনৰ মধুৰতা উপভোগ কৰিবলৈ
নৈ পৰীয়া কহুৱানিখনলৈ
কপৌহালিও এতিয়া ঢাপলি মেলিছে।